# উল্লাস

## শিক্ষণ-শিকন সামগ্ৰীৰ সংকলন

**উল্লাস- নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী**




**ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

ਜਨ ਤਕ
ਸਾਖਰ

جان جان سکشیر

लोक
साक्षर अछि

জন জন

ସାକ୍ଷର

ଜନ ଜନ
ସାକ୍ଷରତା

ஜன் ஜன்
எழுத்தறிவு

জন জন
সাক্ষৰ

జన జన
సాక్షర

ஜன் ஜன்
சக்ஷர்

लोक साक्षर
आहेत

جان جان سکشیر

# जन जन साक्षर

ਜਨ ਤਕ
ਸਾਖਰ

Jan Jan
Saakshar

ஜன் ஜன்
எழுத்தறிவு

लोक साक्षर
आहेत

जनाः
जनाः
साक्षराः

लोक
साक्षर अछि

ஜன் ஜன்
சக்ஷர்

લોક સાક્ષર
आसात

જન જન
સાક્ષર

**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P)

सत्यमेव जयते

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati-781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com

It gives me immense pleasure to convey my warm greetings on the publication of the ULLAS (Understanding Lifelong Learning for All in Society) Compendium by the State Council of Educational Research and Training (SCERT), Assam.

ULLAS represents a transformative step in our collective effort to build a learning society-one where education is not confined to classrooms, age groups of social boundaries but becomes an empowering force for every citizen. I appreciate the sincere efforts of SCERT, Assam, for curating this compendium that captures innovative practices, field experiences, capacity-building initiatives and community driven interventions from across the state. Such documentation not only preserves valuable leaming's but also inspires educators, volunteers and institutions to continuously strengthen the culture of lifelong learning

May this compendium serve as a resourceful guide for all stakeholders involved in advancing literacy and learning at the grassroots level. I extend my best wishes to SCERT, Assam, and all partners who have contributed to this meaningful endeavour. Let us continue working together to ensure that every learner irrespective of age or background finds opportunities to learn, grow and participate fully in society.

(Dr. Ranoj Pegu)

جان جان سکشیر

ਜਨ ਤਕ
ਸਾਖਰ

लोक
साक्षर अछि

জন জন

ଜନ ଜନ
ସାକ୍ଷରତା

ஜன் ஜன்
எழுத்தறிவு

সাক্ষৰ

జన జన
సాక్షర

ஜன் ஜன்
சக்ஷர்

लोक साक्षर
आहेत

جان جان سکشیر

# जन जन साक्षर

ਜਨ ਤਕ
ਸਾਖਰ

Jan Jan
Saakshar

ஜன் ஜன்
எழுத்தறிவு

जनाः
जनाः
साक्षराः

लोक साक्षर
आहेत

लोक
साक्षर अछि

ஜன் ஜன்
சக்ஷர்

જન જન
સાક્ષર

लोक साक्षर
आसात

# পাতনি

ৰাজ্যিক সাক্ষৰতা অভিযান প্ৰাধিকৰণ,অসমৰ জৰিয়তে আমাৰ ৰাজ্যত ৰূপায়িত 'উল্লাস' শীৰ্ষক সৰ্বভাৰতীয় সাক্ষৰতা কাৰ্যসূচীৰ এক বিদ্যায়তনিক অংশীদাৰ হৈছে ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ,অসম। ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমত প্ৰতিস্থাপিত এই সাক্ষৰতা কেন্দ্ৰৰ জৰিয়তে 'উল্লাস' কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় বিদ্যায়তনিক প্ৰশিক্ষণ,আদিপাঠ আৰু অন্যান্য শিক্ষণ-শিকন সমল প্ৰস্তুত কৰি অহা হৈছে। স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উৎসৰ্গিত কৰ্মৰ জৰিয়তে পৰিচালিত 'উল্লাস' কাৰ্যসূচীৰ বাবে ইতিমধ্যে চাৰিখন আদিপাঠ অনলাইন মাধ্যমত, সংক্ষিপ্ত আদিপাঠ ছপা ৰূপত, কাৰ্যপত্ৰ, মূল্যায়ন সমল, দৃশ্য শ্ৰব্য সমল, শিকন ফলাফল সম্পৰ্কীয় সমল আদি প্ৰস্তুত কৰি উলিওৱা হৈছে আৰু ইতিমধ্যে ক্ষেত্ৰ পৰ্যায়ত শিকাৰুৰ বাবে ব্যৱহৃত হৈ আহিছে। জনাবলৈ পাই সুখী হৈছোঁ যে এইবাৰ আমি শিক্ষণ-শিকনৰ উৎকৃষ্ট অনুশীলনৰ এই সংকলন সাজু কৰিছোঁ। ইতিমধ্যে এই সম্পৰ্কত ভাৰতবৰ্ষৰ চাৰিখন ৰাজ্যত আঞ্চলিক সন্মিলন অনুষ্ঠিত হৈছিল। সেই সন্মিলনসমূহত প্ৰদৰ্শন কৰা উৎকৃষ্ট শিক্ষণ-শিকন সামগ্ৰীসমূহৰ একত্ৰ সংকলন এখন ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীত স্থাপিত ৰাষ্ট্ৰীয় সাক্ষৰতা কেন্দ্ৰৰ কোষৰ দ্বাৰা প্ৰকাশ কৰা হৈছে। সেই সংকলনখনৰে মূল উৎস আৰু ভাষিক উদাহৰণসমূহ অপৰিৱৰ্তনীয় ৰাখি অনুদিত ৰূপত অসমতো অসমীয়া, বড়ো আৰু বাংলা ভাষাত একো একোখন সংকলন প্ৰস্তুত কৰা হৈছে। এই সংকলনখনে শিক্ষক-শিক্ষয়িত্ৰী আৰু শিকাৰুসকলৰ শিক্ষণ-শিকনত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে 'উল্লাস'ৰ শিকাৰুসকলৰ বয়স আৰু জীৱনযোৰা অভিজ্ঞতাৰ ভিন্নতা আছে। সেয়ে সেই ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন প্ৰেক্ষাপটৰ শিকন অভিজ্ঞতাৰ সঞ্চয়ন কৰা হৈছে। 15 বছৰ আৰু ততোধিক বয়সৰ শিকাৰুসকলে কিমান সহজকৈ তেওঁলোকৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জ্ঞান আয়ত্ত কৰিব পাৰে, সেয়া হৈছে এই সংকলনৰ মূল অগ্ৰাধিকাৰ। তদুপৰি জীৱন কৌশলৰ বিভিন্ন প্ৰায়োগিক দিশকো এই 'উল্লাস' কাৰ্যসূচীত সামৰি লোৱা হৈছে। তদানুসাৰে এই সংকলনত জীৱন কৌশলৰ বিষয়বোৰো বিভিন্ন প্ৰকাৰে অন্তৰ্ভুক্ত হৈছে। আশা কৰা হৈছে এই সংকলনখনে আমাৰ ৰাজ্যখনৰ 'উল্লাস'ৰ শিকাৰুসকলক উপকৃত কৰিব। স্বেচ্ছাসেৱী শিক্ষক- শিক্ষয়িত্ৰীসকললৈ এটি বিশেষ অনুৰোধ - তেওঁলোকে যাতে এই সংকলনখনৰ ভাষিক উদাহৰণসমূহ শিকাৰুসকলৰ সুবিধা অনুসৰি তৰ্জমা কৰি প্ৰাসংগিক উদাহৰণ সংযোগ কৰে। তেতিয়া অধিক ফলপ্ৰসূ ৰূপত শিকাৰুসকলৰ স্থান, ভাষা আৰু প্ৰসংগক্ৰমে এই সমলসমূহ ব্যৱহাৰ কৰিব পৰা যাব। সদৌ শেষত 'উল্লাস' কাৰ্যসূচীৰ সুন্দৰ আৰু উপযুক্ত ৰূপায়ণ হওক। তাৰেই কামনা কৰিছোঁ।

ড° নিৰদা দেৱী
সঞ্চালক
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

# সূচীপত্ৰ


আৰম্ভণি 1-2

**বুনিয়াদী সাক্ষৰতা** **3**

- ক্ৰিয়া-কলাপ 1 ঃ শব্দৰ সৈতে খেলোঁ আহক 5
- ক্ৰিয়া-কলাপ 2 ঃ একেলগে পঢ়োঁ আহক 8
- ক্ৰিয়া-কলাপ 3 ঃ বৰ্ণ-বৃক্ষ 11
- ক্ৰিয়া-কলাপ 4 ঃ কাৰ্ড মিলোৱা 14
- ক্ৰিয়া-কলাপ 5 ঃ শব্দৰ পৃথিৱী 17
- ক্ৰিয়া-কলাপ 6 ঃ শব্দ বাছি উলিয়াওক 20
- ক্ৰিয়া-কলাপ 7 ঃ ঘূৰাওক আৰু শিকক 23
- ক্ৰিয়া-কলাপ 8 ঃ আনন্দেৰে পঢ়ক 26
- ক্ৰিয়া-কলাপ 9 ঃ আখৰ আৰু সংখ্যাৰ সৈতে ধেমালি 30
- ক্ৰিয়া-কলাপ 10 ঃ চকৰি 33

**বুনিয়াদী সাংখ্যিকতা** **37**

- ক্ৰিয়া-কলাপ 11 ঃ ৰঙৰ সৈতে খেলা 39
- ক্ৰিয়া-কলাপ 12 ঃ সংখ্যাৰ সৈতে খেলা 42
- ক্ৰিয়া-কলাপ 13 ঃ সংখ্যাৰ খেল 45
- ক্ৰিয়া-কলাপ 14 ঃ আগত আৰু পিছত 48
- ক্ৰিয়া-কলাপ 15 ঃ সংখ্যাৰ পটি 51
- ক্ৰিয়া-কলাপ 16 ঃ গণনা কৰি সংখ্যা শিকোঁ আহক 54
- ক্ৰিয়া-কলাপ 17 ঃ লুডু গুটিৰ সৈতে সংখ্যাৰ খেল 57
- ক্ৰিয়া-কলাপ 18 ঃ অংকৰ যাদু 60
- ক্ৰিয়া-কলাপ 19 ঃ সংখ্যাৰ ধেমালি 63
- ক্ৰিয়া-কলাপ 20 ঃ সময়ৰ ধাৰণা 66

**পৰিশিষ্ট 1** 71

**পৰিশিষ্ট 2** 72

# আৰম্ভণি

উল্লাস, ইংৰাজীত ULLAS (Understanding of Lifelong Learning for All in Society) হৈছে সকলোৰ বাবে শিক্ষা সুনিশ্চিত কৰাৰ এক গণ অংশগ্ৰহণৰ আঁচনি, যি 2030 চনৰ ভিতৰত পূৰ্ণ সাক্ষৰ ভাৰত গঢ়ি তোলাৰ লক্ষ্য লৈ আগুৱাই গৈছে। এই গণজাগৰণৰ জৰিয়তে 15 বছৰ বা তাতোকৈ বেছি বয়সৰ প্ৰতিজন নিৰক্ষৰ লোকৰ বাবে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা তথা অন্যান্য শিক্ষাৰ সুযোগ সুনিশ্চিত কৰা হৈছে। স্বেচ্ছাসেৱী আৰ্হিত চলা এই কাৰ্যসূচী সমগ্ৰ ভাৰতবৰ্ষৰ বাবে বহনক্ষম উন্নয়নৰ এক পৰিচায়ক।

উল্লেখ্য যে, 2024 চনৰ 6 ফেব্ৰুৱাৰীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ উল্লাস মেলা কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত ধৰ্মেন্দ্ৰ প্ৰধানে এই কাৰ্যসূচীৰ বাবে শিকাৰুৱে নিজকে অভিযোজিত কৰিব পৰা শিক্ষণ-শিকন পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ এই জনজাগৰণত সমাজৰ ভূমিস্তৰৰ পৰা অহা অভিমতক সন্মান জনাই আগবাঢ়ি যোৱাৰ পোষকতা কৰিছিল। উল্লাস শব্দৰ অৰ্থটোৰ দৰে এই শিক্ষা যাতে উল্লাসপূৰ্ণ হয়, সেয়াও তেখেতে দোহাৰিছিল। তেওঁ কয়, "এক বিকশিত ভাৰতৰ বাবে পূৰ্ণ সাক্ষৰতা হ'ল প্ৰথম আৰু মুখ্য চৰ্ত"। উল্লাস কেৱল এটা কাৰ্যসূচী নহয়; ই এটা জনআন্দোলন যি অন্তৰ্ভুক্তিমূলক আৰু অগ্ৰগামী ভাৰতৰ আত্মাক প্ৰতিফলিত কৰে। মাননীয় শিক্ষামন্ত্ৰীগৰাকীৰ পৰামৰ্শমতেই 2024-2025 চনৰ ভিতৰত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ সহযোগিতাত হৰিয়ানা, মধ্যপ্ৰদেশ, অসম আৰু তেলেংগানা এই চাৰিখন ঠাইত আঞ্চলিক সন্মিলনৰো আয়োজন কৰা হৈছিল। এই আয়োজনৰ ফলস্বৰূপেই শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উদ্ভাৱনীমূলক দিশসমূহক আধাৰ হিচাপে লৈ কেন্দ্ৰীয়ভাৱে ULLAS Compendium অৰ্থাৎ উল্লাস, শিক্ষণ -শিকন সামগ্ৰীৰ সংকলন প্ৰস্তুত কৰা হৈছিল। এই সংকলনে শিকাৰু, স্বেচ্ছাসেৱী শিক্ষক আৰু শিক্ষাবিদৰ সৃজনীশীলতা আৰু সহযোগিতাৰ প্ৰতিফলন ঘটায়, যি ভাৰতৰ সাক্ষৰতা আন্দোলনৰ মূল আত্মা। এই সন্মিলনসমূহে শিকাৰু, নৱসাক্ষৰ ব্যক্তি, স্বেচ্ছাসেৱী শিক্ষক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বিষয়াসকল তথা ৰাজ্যিক সাক্ষৰতা অভিযানৰ প্ৰতিনিধিসকলক একত্ৰিত কৰিছিল, কাম কৰাৰ ঐক্যবদ্ধ পথ দেখুৱাইছিল। এই সন্মিলনসমূহে তলৰ তিনিটা মূল লক্ষ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিলঃ

- শিকাৰু, নৱসাক্ষৰ ব্যক্তি, স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্ৰী তথা ৰাজ্য, জিলা, খণ্ড আৰু গাঁও পঞ্চায়ত স্তৰৰ অংশীদাৰীত্বৰ প্ৰয়োজন বুজাই দিয়া আৰু উল্লাস কাৰ্যসূচীৰ সবলীকৰণ কৰা।
- আঞ্চলিক বা স্থানীয় ভাষাত শিক্ষণ-শিকন সামগ্ৰী (Teaching-Learning Material) প্ৰস্তুত কৰা।
- উল্লাসৰ সফল ৰূপায়ণৰ বাবে উত্তম অভ্যাস আৰু পৰামৰ্শ অন্তৰ্ভুক্ত কৰা।

দৰাচলতে শিকাৰুসকলৰ বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখি , ULLAS-এ অনলাইন আৰু অফলাইন শিক্ষা মিশ্ৰিত কৰি এক "হাইব্ৰিড" পদ্ধতি গ্ৰহণ কৰিছে, যি সামাজিক সম্প্ৰতি আৰু

স্বেচ্ছাসেৱাৰ ভাবনাৰ ওপৰত আধাৰিত।

উল্লাস কাৰ্যসূচীয়ে শিকাৰুসকলক জীৱনকেন্দ্ৰিক দক্ষতাৰে সমৃদ্ধ কৰিবলৈ চেষ্টা কৰিছে, যেনে— আৰ্থিক সাক্ষৰতা (ধন সঞ্চয়, বেঙ্ক একাউণ্ট খোলা, বাজেট প্ৰস্তুত কৰা আদি), ডিজিটেল সাক্ষৰতা (অনলাইন বেঙ্কিং, ডিজিটেল পেমেণ্ট আদি) আৰু সহায়ক সেৱাসমূহলৈ প্ৰৱেশ লাভ কৰা।

এই কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ULLAS Portal আৰু ULLAS Mobile App, য'ত শিকাৰু আৰু স্বেচ্ছাসেৱী শিক্ষকসকলক পঞ্জীয়ন কৰা হয় আৰু শিক্ষণ-শিকন সামগ্ৰীও উপলব্ধ হয়। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীয়ে মুঠ 26টা ভাষাত আৰু 117টা স্থানীয় ভাষাত আদিপাঠ প্ৰস্তুত কৰিছে। এতিয়ালৈকে 2.83 কোটি শিকাৰু আৰু 44 লাখৰো অধিক স্বেচ্ছাসেৱী শিক্ষক এই ULLAS Appৰ মাধ্যমেৰে পঞ্জীয়ন হৈছে। শিকাৰুসকলৰ অগ্ৰগতি বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা মূল্যায়ন পৰীক্ষা (FLNAT) ৰ মাধ্যমেৰে মূল্যায়ন কৰা হয়। 33খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ 1.72 কোটিৰো অধিক শিকাৰুৱে বছৰত দুবাৰকৈ অনুষ্ঠিত কৰা FLNAT পৰীক্ষাত অংশগ্ৰহণ কৰিছে।

শিকাৰুকেন্দ্ৰিক শিক্ষণ-শিকন সামগ্ৰী হ'ল 'উল্লাস'ৰ সফলতাৰ মুখ্য উপাদান। এই উপকৰণসমূহে শিকাৰু আৰু স্বেচ্ছাসেৱী শিক্ষকক নিজৰ মাতৃভাষাত প্ৰভাৱশালীভাৱে সংযোগ কৰাত সহায় কৰে।

উল্লাস শিক্ষণ-শিকন সামগ্ৰীৰ সংকলন হৈছে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ শিকাৰু আৰু স্বেচ্ছাসেৱী শিক্ষকসকলে আঞ্চলিক সন্মিলনসমূহত প্ৰদৰ্শন কৰা উৎকৃষ্ট শিক্ষণ-শিকন সামগ্ৰীৰ সংকলন। এই সংগ্ৰহে ভাষা, সংস্কৃতি আৰু সামাজিক পৰিৱেশৰ বৈচিত্ৰ্যৰ এক সমৃদ্ধ প্ৰতিফলন প্ৰদৰ্শন কৰে। আমি বিশ্বাস কৰোঁ যে, এই সংকলনটোৱে শিকাৰু, স্বেচ্ছাসেৱী শিক্ষক, ৰাজ্যিক অধিকাৰী আৰু অন্যান্য অংশীদাৰৰ বাবে এক মূল্যবান আৰু উপকাৰী সম্পদ হিচাপে পৰিণত হ'ব।

ইতি

উল্লাস শিক্ষণ-শিকন সামগ্ৰীৰ সংকলনৰ অনুবাদ আৰু অভিযোজন সমিতি

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

# বুনিয়াদী
# সাক্ষৰতা

ਜਨ ਤਕ
ਸਾਖਰ

جان جان سکشیر

लोक
साक्षर अछि

জন জন

ଜନ ଜନ
ସାକ୍ଷରତା

ஜன் ஜன்
எழுத்தறிவு

সাক্ষৰ

జన జన
సాక్షర

ஜன் ஜன்
சக்ஷர்

लोक साक्षर
आहेत

جان جان سکشیر

# जन जन साक्षर

ਜਨ ਤਕ
ਸਾਖਰ

Jan Jan
Saakshar

ஜன் ஜன்
எழுத்தறிவு

जनाः
जनाः
साक्षराः

लोक साक्षर
आहेत

लोक
साक्षर अछि


ஜன் ஜன்
சக்ஷர்

લોક સાક્ષર
आसात

જન જન
સાક્ષર

# ক্ৰিয়া-কলাপ 1 ঃ শব্দৰ সৈতে খেলোঁ আহক




12-13 ছেপ্টেম্বৰ 2024 ত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত দ্বিতীয় আঞ্চলিক সন্মিলনত ছত্তিশগড় ৰাজ্যৰ পৰা প্ৰস্তুত কৰা শিক্ষণ শিকন সামগ্ৰী


## উদ্দেশ্য

- বিভিন্ন আখৰ লগ লগাই শব্দ গঠনৰ জৰিয়তে শিকাৰুৰ ভাষাজ্ঞানৰ বিকাশ কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড / ট্ৰে
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল
- স্কেল বা মাপনী
- কাগজ কটা সঁজুলি / কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত (Cellophane sheet)

## পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**

- চিত্ৰ 1 ত দেখুওৱাৰ দৰে এখন কাৰ্ডব'ৰ্ড লৈ 2x2 বা 4x4 ইঞ্চি জোখত বৰ্গাকৃতিত টুকুৰা কৰিব।
- একে আকাৰ-আকৃতিৰ চাৰ্ট পেপাৰ কাটি টুকুৰাবোৰ কাৰ্ডব'ৰ্ডত আঠা লগাওক।
- ফ্লেছ কাৰ্ড প্ৰস্তুত কৰক।




চিত্ৰ 2

**পৰ্যায় 2**

- চিত্ৰ 2 ত দেখুওৱাৰ দৰে বৰ্ণমালাবোৰ ফ্লেছ কাৰ্ডত লিখি ল'ব যেনে- क, ल, ख, म, आ, अ (ক, ল, ম, আ, অ) ।




চিত্ৰ 3

**পৰ্যায় 3**

- ফ্লেছ কাৰ্ডবোৰ স্বচ্ছ প্লাষ্টিকেৰে আবৰি দিব যাতে কাৰ্ডবোৰ বেছি দিন ভালে থাকে।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকসকলে ফ্লেছ কাৰ্ডবোৰ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ শব্দ গঠন কৰা কাৰ্যকলাপটো শিকাৰুসকলক বুজাই দিব।
2. স্বেচ্ছাসেৱী শিক্ষকে বৰ্ণৰ ফ্লেছ কাৰ্ড বাছি লৈ, সেইবোৰ সজাই সহজ শব্দ গঠন কৰি দেখুৱাব। যেনে— क, ल, আৰু म লগ লগাই कलम (কলম) ।
3. এতিয়া স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুসকলক ফ্লেছ কাৰ্ডবোৰ লগ লগাই বিভিন্ন শব্দ গঠন কৰিবলৈ দিয়ক। নিজৰ দৈনন্দিন জীৱনত ব্যৱহৃত শব্দবোৰ ফ্লেছ কাৰ্ডৰ বৰ্ণমালাবোৰেৰে সজাবলৈ চেষ্টা কৰক।
4. স্বেচ্ছাসেৱী শিক্ষকসকলে লাহে লাহে জটিলতাৰ স্তৰ বঢ়াই যাবলৈ চেষ্টা কৰিব। চুটি শব্দৰ পৰা দীঘল শব্দ গঠন কৰিবলৈ দিব আৰু সেইবোৰ পঢ়িবলৈ আৰু লিখিবলৈ ক'ব।

যেনে- মলমল, সাইকিল, খটমল  ইত্যাদি।

5. স্বেচ্ছাসেৱী শিক্ষকসকলে ভাষা অনুসৰি স্বৰচিহ্ন আদিবোৰ ব্যৱহাৰ কৰিব যেনে- আ-(া) 'ই' (ি), 'উ' (ু) ইত্যাদি।

6. শিকাৰুসকলে প্ৰথমে দুটা আখৰৰ শব্দ গঠন কৰিব, তাৰ পাছত ততোধিক আখৰৰ শব্দ গঠন কৰিবলৈ চেষ্টা কৰিব। যেনে- রাত, তীর,তারা, কমরা (ছবিত দেখুওৱা ধৰণে)






চিত্ৰ 4

## শিকাৰুসকলে কি শিকিলে

- আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দত চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)
- স্পষ্টকৈ বিভিন্ন আখৰ, শব্দ, চুটি শব্দৰ পাঠ লিখিব পাৰিব (শিকন ফলাফল 8-সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিছে। (শিকন ফলাফল 4- সাক্ষৰতা)
- যিকোনো পাঠ প্ৰথমে সহায়লৈ, পাছত ক্ৰমান্বয়ে নিজে পঢ়িব পৰিব। (শিকন ফলাফল 12- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 2 ঃ একেলগে পঢ়োঁ আহক




22-23 অক্টোবৰ 2024 ত অসমৰ গুৱাহাটীত অনুষ্ঠিত তৃতীয় আঞ্চলিক সন্মিলনত মণিপুৰে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী

## উদ্দেশ্য

- আখৰ চিনি পাবলৈ
- বৰ্ণ-ধ্বনিৰ সংযোগ স্থাপন কৰিবলৈ

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ডৰ টুকুৰা
- মাৰ্কাৰ কলম/পেঞ্চিল/ৰং
- স্কেল
- কাগজ কটা সঁজুলি/কেঁচী
- চেল'টেপ/ফেভিকল

# পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**

- চিত্ৰ 1 ত দেখুওৱাৰ দৰে চাৰ্ট পেপাৰৰ আকাৰৰ এটুকুৰা কাৰ্ডব'ৰ্ড লওক।



চিত্ৰ 2

**পৰ্যায় 2**

- তাৰ ওপৰত চাৰ্ট পেপাৰ আঠা লগাই দিয়ক। (চিত্ৰ ঃ 2)




চিত্ৰ 3

**পৰ্যায় 3**

- তিনিটা স্তম্ভ তৈয়াৰ কৰক। চিত্ৰ 3 ত দেখুওৱাৰ দৰে 1 নং স্তম্ভত আখৰ লিখি, কাষৰ 2 নং স্তম্ভত সেই আখৰৰ সৈতে মিল থকা চিত্ৰ দিয়ক। উদাহৰণস্বৰূপে— ब আখৰৰ সৈতে बस, प আখৰৰ সৈতে 'पतंग'ৰ চিত্ৰ দিব লাগিব।




চিত্ৰ 4

**পৰ্যায় 4**

- চিত্ৰ 4 ত দেখুওৱাৰ দৰে স্তম্ভ 3 ত ছবিসমূহৰ নাম লিখক। উদাহৰণস্বৰূপে— म-मछली, स-सूरज।

## কেনেকৈ ব্যৱহাৰ কৰিব


1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক প্ৰতিচ্ছবি/চিত্ৰৰ সহায়ত শব্দ চিনাক্ত কৰাৰ কথা আলোচনা কৰি আৰম্ভ কৰিব। উদাহৰণস্বৰূপে— आम, पतंग আদি।
2. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক শব্দসমূহৰ প্ৰথম আখৰটো চিনাক্ত কৰিবলৈ কওক।
3. যেতিয়া তেওঁলোকে ছবিখন দেখিব, তেতিয়া তেওঁলোকৰ মনোযোগ প্ৰথম আখৰটো আৰু ইয়াৰ নাম বিশিষ্ট শব্দটোৰ প্ৰতি আকৰ্ষণ কৰি আখৰ-ধ্বনিৰ সংযোগ স্থাপন কৰিব, লগতে स ৰে सूरज বুলি কৈ একে সময়তে ছবিখনো দেখুওৱাই দিব।
4. পৰৱৰ্তী নাম বিশিষ্ট শব্দটো পঢ়িবলৈ উৎসাহিত কৰক আৰু শব্দটোৰ ওপৰত আঙুলি ৰাখি ইয়াৰ প্ৰতিচ্ছবিখনৰ প্ৰতি তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰক।
5. স্বেচ্ছাসেৱী শিক্ষকে আৰু অধিক ধ্বনি বিজ্ঞানভিত্তিক ক্ৰিয়া-কলাপ সংলগ্ন কৰি ক্ৰিয়া-কলাপটোৰ জটিলতা বৃদ্ধি কৰি লৈ যাব পাৰে। ধৰক, ‘स’ আখৰটো শব্দৰ বিভিন্ন স্থানত সালসলনি কৰিব পাৰে, যেনে— ‘सूरज’ শব্দটোৰ দৰে আৰম্ভণিতে ‘स’ ৰাখি তাৰ পিচত ‘स’ ক ‘कसम’ ৰ দৰে মাজত ৰাখি, ‘बस’ ত থকাৰ দৰে শেষত ৰাখি।
6. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক কিছুমান শব্দ চিনাক্ত কৰাত সহায় কৰিব পাৰে যেনে— लकड़ी, कलम, मछली আদিত ‘ल’ থাকে।

## শিকাৰুসকলে কি শিকিলে

- আখৰৰ ধ্বনিক আখৰৰ আকৃতিৰ লগত সংযোগ স্থাপন কৰিব পাৰিব। (শিকন ফলাফল-2 সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল-4 সাক্ষৰতা)
- ছবি বা প্ৰসংগ অনুযায়ী পাঠোদ্ধাৰ কৰিব পৰাকৈ এটা বা ততোধিক ধৰণে শব্দ পঢ়িব, সম্পূৰ্ণ শব্দটো চিনিব পাৰিছে। (শিকন ফলাফল-6 সাক্ষৰতা)
- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল-1 সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 3 ঃ বৰ্ণ বৃক্ষ



17 - 18 ফেব্ৰুৱাৰী, 2025 ত তেলেংগানাৰ হায়দৰাবাদত অনুষ্ঠিত হোৱা চতুৰ্থ আঞ্চলিক সন্মিলনত অন্ধ্ৰপ্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- বানান দক্ষতা আৰু শব্দ গঠনৰ অৰ্হতাৰ বিকাশ সাধন

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল
- স্কেল
- কাগজ কটা সঁজুলি / কেঁচী
- চেল'টেপ / স্বচ্ছ প্লাষ্টিকৰ পাত
- চেল'টেপ / ফেভিক'ল

## পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**

- এখন কাৰ্ডব'ৰ্ড লওক আৰু 1 নং ছবিত দেখুওৱাৰ দৰে ইয়াক এজোপা গছৰ আকাৰত কাটি লওক।



চিত্ৰ 2

**পৰ্যায় 2**

- 2 নং ছবিত দেখুওৱাৰ দৰে ইয়াৰ ওপৰত ৰঙীন কাগজ আঠা লগাওক।



চিত্ৰ 3

**পৰ্যায় 3**

- এতিয়া, গছ পাতৰ আকৃতিত কাগজ কাটি লওক আৰু গছজোপাত আঠা লগাই দিয়ক। তাৰ পাছত, পাতত আখৰ লিখি লওক যাতে সেইবোৰ আখৰেৰে শিকাৰুসকলে আগতে পাই অহা শব্দ কিছুমান গঠন কৰিব পাৰে।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে এই ক্ৰিয়া-কলাপটোৰ ব্যাখ্যা দাঙি ধৰি শিকাৰুসকলক অৱগত কৰিব যে তেওঁলোকে আখৰবোৰ চিনাক্ত কৰিব লাগিব আৰু গছৰ পাতত লিখি থোৱা আখৰবোৰৰ পৰা অৰ্থপূৰ্ণ শব্দ গঠন কৰিব লাগিব।
2. স্বেচ্ছাসেৱী শিক্ষকে গছত থকা আখৰবোৰ চিনাক্ত কৰাত শিকাৰুসকলক সহায় কৰিব।
3. স্বেচ্ছাসেৱী শিক্ষকে এতিয়া শিকাৰুসকলক অৰ্থপূৰ্ণ শব্দ বিচাৰি উলিয়াবলৈ উৎসাহিত কৰিব। উদাহৰণস্বৰূপে అమ్మ (মা), ఇటుక(ইটা), ఉంగరం(আঙুঠি), కుటుంబం(পৰিয়াল), ఇరుగు పొరుగు (চুবুৰীয়া), పండుగ(উৎসৱ), అభ్యాసకుల కుటుంబ సభ్యుల పేరు' (শিকাৰুৰ নিজৰ পৰিয়ালৰ সদস্যসকলৰ নাম), ఆవు (গৰু), భోజనం (আহাৰ) ইত্যাদি। ইয়াৰোপৰি তেওঁলোকক এই শব্দবোৰ লিখিবলৈ অভ্যাস কৰোৱাব।
4. শিকাৰুসকলে এই কামটো শেষ কৰাৰ পাছত, তেওঁলোকে ইতিমধ্যে চিনাক্ত কৰা শব্দবোৰৰ পৰা বাক্য গঠন কৰিবলৈ দি স্বেচ্ছাসেৱী শিক্ষকে জটিলতাৰ স্তৰ বঢ়াই দিব পাৰে। উদাহৰণস্বৰূপে నాకు చిన్న కుటుంబం ఉంది (মোৰ এটা সৰু পৰিয়াল আছে)।
5. সমূহীয়াভাৱে তেওঁলোকে ছন্দযুক্ত শব্দ বিচাৰিবও পাৰে। যেনে- লতক–মতক, জল–নল। (অসমীয়া শব্দৰ উদাহৰণ দিব)



চিত্ৰ 4



চিত্ৰ 5

## শিকাৰুসকলে কি শিকিলে

- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল-1 সাক্ষৰতা)
- স্পষ্টকৈ বিভিন্ন আখৰ, শব্দ, চুটিশব্দৰ পাঠ লিখিব পাৰিব। (শিকন ফলাফল 8- সাক্ষৰতা)
- যিকোনো এটা ভাষা অথবা পাঠত সঘনাই ব্যৱহৃত শব্দ চিনিব পাৰিব। (শিকন ফলাফল 9- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 4ঃ বৰ্ণ কাৰ্ড মিলোৱা






তেলেংগানাৰ হায়দৰাবাদত অনুষ্ঠিত হোৱা চতুৰ্থ আঞ্চলিক সন্মিলনত পুডুচেৰীয়ে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী (12 ৰ পৰা 18 ফেব্ৰুৱাৰী, 2025)


## উদ্দেশ্য

- বৰ্ণবোৰ চিনাক্ত কৰা
- বৰ্ণ-শব্দৰ সম্পৰ্ক বুজি পোৱা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেঞ্চিল/ ৰঙীন কলম
- কাগজ কটা সঁজুলি /কেঁচী
- চেল'ফেন পাত (প্লাষ্টিক)
- ফেভিক'ল


## পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**

- চিত্ৰ 1 ত দেখুওৱাৰ দৰে কাৰ্ডব'ৰ্ড ল'ব আৰু ইয়াৰ ওপৰত চাৰ্ট পেপাৰখন আঠা লগাব।



চিত্ৰ 2

**পৰ্যায় 2**


- চিত্ৰ 2 ত দেখুওৱাৰ দৰে সকলোবোৰ আকৃতিয়েই ক্ৰমানুসৰি থাকিব লাগিব।




চিত্ৰ 3

**পৰ্যায় 3**

- স্বেচ্ছাসেৱী শিক্ষকে অৰ্থপূৰ্ণ শব্দৰ এখন তালিকা প্ৰস্তুত কৰিব।
- চিত্ৰ 3 ত দেখুওৱাৰ দৰে এটা অংশত বৰ্ণবোৰ লিখিব আৰু আনটো অংশত সম্পূৰ্ণ শব্দটো লিখিব।





চিত্ৰ 4

**পৰ্যায় 3**

- চিত্ৰ 4ত দেখুওৱাৰ দৰে প্ৰতিটো সুকীয়া বৰ্ণৰ পিছফালে বৰ্ণটোৰ সৈতে খাপ খোৱা প্ৰতিচ্ছবি আঠা লগাব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকসকলে ব্যাখ্যা সহকাৰে এই ক্ৰিয়া-কলাপটো শিকাৰুসকলৰ সৈতে চিনাকি কৰাই দিব যাতে তেওঁলোকে দেখুওৱা বৰ্ণ আৰু লিখিত শব্দটোৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে।
2. চিত্ৰ 5 ত দেখুওৱাৰ দৰে স্বেচ্ছাসেৱী শিক্ষকে এহাতেৰে বৰ্ণবোৰ ধৰিব আৰু শিকাৰুসকলক দেখুওৱা আখৰটোৰ পৰা আৰম্ভ হোৱা শব্দবোৰ বাছি ল'বলৈ ক'ব আৰু আকৃতিটো সম্পূৰ্ণ কৰিবলৈ ক'ব।




চিত্ৰ 5

3. স্বেচ্ছাসেৱী শিক্ষকে প্ৰথমে শিকাৰুসকলক আকৃতিত দেখুওৱা বৰ্ণবোৰ চিনাক্ত কৰিবলৈ ক'ব।
4. শিকাৰুসকলে তেতিয়া ইয়াৰ অৰ্থপূৰ্ণ শব্দটো চিনাক্ত কৰিব আৰু আকৃতিটো সম্পূৰ্ণ কৰিব।
5. যদিহে শিকাৰুসকলৰ শব্দটো চিনাক্ত কৰাত অসুবিধা হয়, স্বেচ্ছাসেৱী শিক্ষকে পিছফালে থকা প্ৰতিচ্ছবিটো এক ইঙ্গিত হিচাপে শিকাৰুসকলক দিব পাৰে বা শব্দটোৰ লগত জড়িত কিছুমান প্ৰশ্ন সুধি সহায় কৰিব পাৰে।
6. দীঘল শব্দ দি জটিলতাৰ পৰ্যায়টো বৃদ্ধি কৰিব পৰা যায়।

## শিকাৰুসকলে কি শিকিলে

- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল 4- সাক্ষৰতা)
- দৈনন্দিন প্ৰাসংগিক বিষয়লৈ পঢ়া আৰু লিখাৰ দিশবোৰত শিকাৰুৱে মনোনিৱেশ কৰিব পাৰিব। (শিকন ফলাফল 5- সাক্ষৰতা)
- এটা শব্দ ভাঙি পঢ়িবলৈ, সম্পূৰ্ণ শব্দ চিনাক্ত কৰিবলৈ, ছবি বা প্ৰাসংগিক বিষয় অনুযায়ী অনুমান কৰিবলৈ একাধিক উপায় ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 6- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 5ঃ শব্দৰ পৃথিৱী




12-13 ছেপ্টেম্বৰ, 2024 ত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত হোৱা দ্বিতীয় আঞ্চলিক সন্মিলনত মধ্যপ্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- শব্দৰ কেলেণ্ডাৰ ব্যৱহাৰ কৰি পঠন দক্ষতা আগবঢ়াই নিয়া
- শব্দভাণ্ডাৰ বৃদ্ধি কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- মেজত সজোৱা পুৰণি কেলেণ্ডাৰ
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল
- স্কেল
- কাগজ কটা সঁজুলি / কেঁচী
- চেল'টেপ / ফেভিকল


## পৰ্যায়




চিত্ৰ 1

**পৰ্যায় 1**


- এখন মেজত সজোৱা পুৰণি কেলেণ্ডাৰ লওক আৰু চিত্ৰ 1 ত দেখুওৱাৰ দৰে কেলেণ্ডাৰৰ পৃষ্ঠাবোৰৰ ওপৰত ৰঙীন কাগজ আঠা লগাব।



চিত্ৰ 2

**পৰ্যায় 2**


- চিত্ৰ 2 ত দেখুওৱাৰ দৰে প্ৰতিটো মাহৰ পৃষ্ঠাক তিনিটা সমান অংশত ভাগ কৰক ।




চিত্ৰ 3

**পৰ্যায় 3**

- চিত্ৰ 3 ত দেখুওৱাৰ দৰে পৃষ্ঠাৰ প্ৰতিটো অংশতে বৰ্ণবোৰ যাদৃচ্ছিকভাৱে লিখক যাতে সেই অংশবোৰ লুটিয়াই বিভিন্ন শব্দ সৃষ্টি কৰিব পাৰে।




চিত্ৰ 4

**পৰ্যায় 4**

- উদাহৰণস্বৰূপে, বেলেগ বেলেগ অংশত লিখি থোৱা - 'क ', 'ल ', 'म ' লুটিয়াই দিলে 'कलम' শব্দটোৰ সৃষ্টি হয়। যদিহে শিকাৰুৱে চিত্ৰ 4ত দেখুওৱাৰ দৰে দ্বিতীয় আৰ তৃতীয় অংশৰ 'म' ক 'ल'ৰ সৈতে সাল-সলনি কৰি দিয়ে তেন্তে 'कमल' বুলি নতুন শব্দ এটাৰ সৃষ্টি হ'ব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে কেলেণ্ডাৰৰ অংশবোৰ কেনেদৰে লুটিয়াই শব্দ সৃষ্টি কৰিব পাৰিব সেই কথাৰে এই ক্ৰিয়া-কলাপটোৰ আৰম্ভণি কৰিব।
2. বৰ্ণবোৰ লগ লগাই শব্দ সৃষ্টি কৰিবলৈ শিকাৰুসকলক উৎসাহিত কৰিব।
3. এটা আখৰ আন এটা আখৰৰ সৈতে সলনি কৰিলেই এটা নতুন অৰ্থবহ শব্দ গঠন কৰিব পৰা বিষয়টোলৈ শিকাৰুসকলৰ দৃষ্টি আকৰ্ষণ কৰিব।
4. এই ক্ৰিয়া-কলাপে শিকাৰুসকলক ছন্দমিল থকা শব্দৰ সৈতে চিনাকি কৰি দিয়াৰ লগতে একে সময়তে তেওঁলোকক উচ্চাৰণ বুজি পোৱাতো সহায় কৰিব।
5. স্বেচ্ছাসেৱী শিক্ষকসকলে পৃষ্ঠাবোৰ লুটিয়াই একে বৰ্ণৰে শব্দ সৃষ্টি কৰিবলৈ শিকাৰুসকলৰ দৃষ্টি আকৰ্ষণ কৰিব।
6. ছন্দযুক্ত শব্দ বিচৰাটো এই ক্ৰিয়া-কলাপৰ এক বৰ্ধিত ৰূপ হ'ব পাৰে। শিকাৰুসকলক প্ৰথম আখৰটো সলনি কৰি নতুন শব্দ লিখিবলৈ দিব, উদাহৰণস্বৰূপে— হম, কম, দম।
7. স্বেচ্ছাসেৱী শিক্ষকসকলে বেলেগ বেলেগ আখৰেৰে এনেকুৱা শব্দ বিচাৰি উলিয়াবলৈ আৰু তাৰে এখন তালিকা প্ৰস্তুত কৰিবলৈ শিকাৰুসকলক উৎসাহিত কৰিব। উদাহৰণস্বৰূপে— বন, মন, ধন, ৰমন, চমন।

## শিকাৰুসকলে কি শিকিলে

- আখৰৰ ধ্বনিক আখৰৰ আকৃতিৰ লগত সংযোগ স্থাপন কৰিব পাৰিব। (শিকন ফলাফল-2 সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল-4 সাক্ষৰতা)
- ছবি বা প্ৰসংগ অনুযায়ী পাঠোদ্ধাৰ কৰিব পৰাকৈ এটা বা ততোধিক ধৰণে শব্দ পঢ়িব, সম্পূৰ্ণ শব্দটো চিনিব। (শিকন ফলাফল 6- সাক্ষৰতা)
- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 6 ঃ শব্দ বাছি উলিয়াওক






17-18 ফেব্ৰুৱাৰী, 2025 ত তেলেঙ্গানাৰ হায়দৰাবাদত অনুষ্ঠিত হোৱা চতুৰ্থ আঞ্চলিক সন্মিলনত অন্ধ্ৰপ্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- শব্দ চিনাক্তকৰণ আৰু বানান উন্নত কৰা
- বাক্য গঠনত শিকাৰুক সহায় কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা /ৰঙীন)
- মাৰ্কাৰ কলম /পেঞ্চিল/ৰং
- কলম
- স্কেল
- কাগজ কটা সঁজুলি /কেঁচী
- চেল'টেপ /ফেভিকল/ফেভিষ্টিক
- লাঠী
- সূতা/ৰছী
- চুম্বক

# পৰ্যায়



চিত্ৰ 1

## পৰ্যায় 1

- কাৰ্ডব'ৰ্ড আৰু চাৰ্ট পেপাৰখন বিভিন্ন আকৃতিত কাটি লওক, উদাহৰণস্বৰূপে— চিত্ৰ 1ত দেখুওৱা দৰে মাছৰ চিত্ৰ।
- একেলগে কৰি আঠা লগাই লওক।
- প্ৰতিখন কাৰ্ডব'ৰ্ড আৰু চাৰ্ট পেপাৰত একোটাকৈ শব্দ লিখক।
- মাছৰ পিছফালৰ অংশত চুম্বকৰ এটা টুকুৰা সংলগ্ন কৰক।



চিত্ৰ 2

## পৰ্যায় 2

- চিত্ৰ 2 ত দেখুওৱাৰ দৰে 'পুখুৰী' এটা প্ৰস্তুত কৰিবলৈ চাৰ্ট পেপাৰ এখন লওক।
- ইয়াক ঘূৰণীয়া আকৃতিত (পুখুৰীৰ আকৃতিত) কাটি লওক।
- পুখুৰীৰ আকৃতিত ৰং কৰক।
- কিছুমান শিলগুটি আৰু উদ্ভিদ থৈ জলভাগৰ পৰিৱেশ তন্ত্ৰ এটা সৃষ্টি কৰক।




চিত্ৰ 3

## পৰ্যায়

- 3 নং চিত্ৰত দেখুওৱাৰ দৰে পুখুৰীত মাছ শব্দটো যাদৃচ্ছিকভাৱে ৰাখক।
- সূতা/ৰছী ব্যৱহাৰ কৰি লাঠীডালৰ শেষত চুম্বক সংলগ্ন কৰক।


## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে আৰম্ভণিতে শিকাৰুসকলক বুজাই দিব যে তেওঁলোকে এটা আনন্দদায়ক খেল খেলিব, য'ত তেওঁলোকে মাছ ধৰা লাঠী ব্যৱহাৰ কৰি 'পুখুৰী'ৰ পৰা শব্দ বাছি ল'ব।
2. পুখুৰীটোত যথেষ্ট সংখ্যক মাছ (শব্দ) থাকিব আৰু লক্ষ্য হ'ব যে শব্দবোৰ চিনাক্ত কৰি সঠিকভাৱে পঢ়া।
3. শিকাৰুসকলক পুখুৰীৰ পৰা অৰ্থপূৰ্ণ শব্দসমূহ বিচাৰি উলিয়াই আনি প্ৰতিটো শব্দ ভালদৰে পঢ়িবলৈ উৎসাহিত কৰিব।
4. খেলখন কিদৰে পৰিচালিত হয় সেই বিষয়ে শিকাৰুসকলক স্পষ্ট ৰূপত বুজাই দিব। যেনে— পুখুৰীৰ পৰা মাছ ধৰা গৰাকীয়ে কলম শব্দটো তুলি পঢ়ি শুনাব।
5. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক মাছৰ এটা গোট প্ৰদৰ্শন কৰিব য'ত বিভিন্ন শব্দ লিখা থাকিব (ফ্লেছকাৰ্ড বা শব্দ থকা কাগজ ব্যৱহাৰ কৰিব পাৰিব)
6. স্বেচ্ছাসেৱী শিক্ষকে লাঠীডাল ব্যৱহাৰ কৰি 'পুখুৰী'ৰ পৰা একোটা মাছ নিৰ্বাচন কৰিব।
7. স্বেচ্ছাসেৱী শিক্ষকে নিৰ্বাচন কৰি লোৱা শব্দবোৰৰ বানান উচ্চস্বৰে পঢ়িবলৈ, লিখিবলৈ দিব। সেই শব্দবোৰ ব্যৱহাৰ কৰি বাক্য গঠন কৰিবলৈও দিব। উদাহৰণস্বৰূপে- যদি আপুনি 'পেড়' বুলি কয় তেন্তে 'পুখুৰী'ৰ পৰা 'পেড়' শব্দটো বাছি লৈ শ্ৰেণীত উচ্চস্বৰে পঢ়ক। চিত্ৰত দেখুওৱাৰ দৰে শিক্ষাৰ্থীৰ মাতৃভাষাতো এই কাৰ্য্য কৰিব পাৰিব।



চিত্ৰ 4

8. যিকোনো এটা শব্দ (যেনে,'ছাতা', 'কিতাব' বা 'আলু') মাতি শুনাব আৰু প্ৰতিজন শিকাৰুক মাছ ধৰা লাঠীডাল ব্যৱহাৰ কৰি পুখুৰীৰ পৰা উচ্চাৰিত শব্দটো তুলি ল'বলৈ ক'ব।
9. শিকাৰুসকলে শব্দটো তুলি লোৱাৰ সময়ত যাতে উচ্চস্বৰে পঢ়ে সেইটো স্বেচ্ছাসেৱী শিক্ষকে নিশ্চিত কৰিব ।
10. যদি কোনো শিকাৰুৱে নিৰ্বাচিত শব্দটো পঢ়িবলৈ অসুবিধা পায় তেন্তে 'এই শব্দটো আপুনি কিতাপত পঢ়িব পৰা শব্দ,' বা 'এই শব্দটো চিনাকি শব্দৰ দৰে শুনা যায়নে?' এইদৰে শব্দটোৰ আখৰ আৰু ধ্বনি চিনি পাবলৈ তেওঁলোকক উৎসাহিত কৰক।
11. শিকাৰুসকলক তেওঁলোকে বাছি লোৱা শব্দবোৰ বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে সম্পৰ্কিত কৰিবলৈ উৎসাহিত কৰক। উদাহৰণস্বৰূপে যদি কোনো শিকাৰুৱে 'ৰুপএ' শব্দটো বাছি লয়, তেন্তে তেওঁলোকক সুধিব, '20 টকাৰ নিমখ কিনিবলৈ হ'লে 5 টকীয়া কিমান মুদ্ৰাৰ প্ৰয়োজন হ'ব।"
12. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুক বাছি লোৱা শব্দবোৰৰ বানান পঢ়িবলৈ, লিখিবলৈ আৰু সেই শব্দবোৰ ব্যৱহাৰ কৰি বাক্য গঠন কৰিবলৈ ক'ব।





চিত্ৰ 5

## শিকাৰুসকলে কি শিকিলে

- এটা শব্দ ভাঙি পঢ়িবলৈ, সম্পূৰ্ণ শব্দ চিনাক্ত কৰিবলৈ, ছবি বা প্ৰাসংগিক বিষয় অনুযায়ী অনুমান কৰিবলৈ একাধিক উপায় ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 6- সাক্ষৰতা)
- স্পষ্টকৈ বিভিন্ন আখৰ, চুটি শব্দৰ পাঠ লিখিব পাৰিব (শিকন ফলাফল 8- সাক্ষৰতা)
- যিকোনো এটা ভাষা অথবা পাঠত সঘনাই ব্যৱহৃত শব্দ চিনিব পাৰিব। (শিকন ফলাফল 9- সাক্ষৰতা)
- কোনো পাঠ বা বিষয়ৰ অন্যান্য আনুষংগিক চিন্তন তথা অন্বেষণ কৰিবলৈ আলোচনাত মিলিত হ'ব পাৰিব। (শিকন ফলাফল 14- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 7ঃ ঘূৰাওক আৰু শিকক



1-2 আগষ্ট 2024 ত হাৰিয়ানাৰ গুৰুগ্ৰামত অনুষ্ঠিত প্ৰথম আঞ্চলিক সন্মিলনত ৰাজস্থানে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী

## উদ্দেশ্য


- আখৰ চিনি পোৱা আৰু পঢ়া

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- কাগজ কটা সঁজুলি/কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- খাৰু/থাল/প্লেট (বৃত্ত আঁকিবলৈ)
- চেল'টেপ/ফেভিকল/ফেভিষ্টিক
- আইচক্ৰিমৰ লাঠী
- বটলৰ সাঁফৰ
- বগা ষ্টিকাৰ (প্ৰত্যেক সাঁফৰত এখনকৈ)
- মাৰ্কাৰ কলম

## পৰ্যায়

### পৰ্যায় 1



ছবি 1

- কাৰ্ডব'ৰ্ড লওক, আৰু তাৰ ওপৰত চাৰ্ট পেপাৰ আঠা লগাওক।
- চাৰ্ট পেপাৰখন বৃত্তৰ আকৃতিত কাটি লওক।
- বৃত্তটো ছটা ভাগত ভাগ কৰক।
- বৃত্তটোৰ কেন্দ্ৰত এটা পাতল আইচক্ৰিমৰ লাঠী আঠা লগাই দিয়ক আৰু চিত্ৰ 1ত দেখুওৱাৰ দৰে পিন/ফিজেট স্পিনাৰৰ সহায়ত সংলগ্ন কৰক।

### পৰ্যায় 2





ছবি 2


- 6টা বটলৰ সাঁফৰ লওক আৰু তাত আঠা লগাবলৈ ষ্টিকাৰ প্ৰস্তুত কৰক।
- আপুনি শিকাবলৈ পৰিকল্পনা কৰা অৰ্থপূৰ্ণ শব্দৰ তালিকা প্ৰস্তুত কৰক।
- চিত্ৰ 2ত দেখুওৱাৰ দৰে ষ্টিকাৰত মাৰ্কাৰ কলমেৰে বৰ্ণমালা যেনে— फ, ग, ल, ट, न আৰু म লিখিব।

### পৰ্যায় 3

- চিত্ৰ 3(i) আৰু 3(ii) ত দেখুওৱাৰ দৰে চাৰ্টৰ ছটা অংশত 6টা বটলৰ সাঁফৰ আঠা লগাওক ।




চিত্ৰ 3(i)




চিত্ৰ 3(ii)

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক এনেদৰে বুজাই কাৰ্য আৰম্ভ কৰিব যে — আমি বটলৰ সাঁফৰত দেখুওৱাৰ দৰে যেনে— ক, গ, ল, ট আখৰৰ পৰা অৰ্থপূৰ্ণ শব্দ গঠন কৰিম।
2. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক 'ক' আৰু 'খ' বুলি দুটা দলত ভাগ কৰিব পাৰে।
3. স্বেচ্ছাসেৱী শিক্ষকে 'ক' দলৰ এজন শিকাৰুক চকাটো ঘূৰাই দিবলৈ ক'ব। ধৰি লওক যে— পিনটো/ফিজেট স্পিনাৰটো চিত্ৰ 3(i i)ত দেখুওৱাৰ দৰে ' ল' আখৰটোত ৰৈ যায়।
4. তাৰ পাছত 'খ' দলৰ শিকাৰুৱে একেটা আখৰৰ পৰা আৰম্ভ হোৱা শব্দ ক'বলৈ আহিব, উদাহৰণস্বৰূপে— লালটেন, লীচে, লটকনা ইত্যাদি।
5. পুনৰ খ-দলটোৱে চকাটো ঘূৰাই প্ৰক্ৰিয়াটো অনুসৰণ কৰিব আৰু ক-দলে সেই অনুসৰি শব্দটো ক'ব।
6. যদি কোনো শিকাৰুৱে সঠিক উত্তৰটো উলিয়াবলৈ অসুবিধা পায়, তেন্তে স্বেচ্ছাসেৱী শিক্ষকে কিছুমান ইংগিত দিব পাৰে বা তেওঁলোকৰ পৰা উত্তৰটো উলিয়াবলৈ অনুসন্ধানমূলক প্ৰশ্ন সুধিব পাৰে, যেনে— 'আপোনাৰ লগৰজনৰ নামটো এই আখৰটোৰে আৰম্ভ হয়(লক্ষ্মী) বা এটা ৰঙৰ নাম (লাল)।
7. স্বেচ্ছাসেৱী শিক্ষকে শব্দটোৰ প্ৰতিশব্দ দি এই ক্ৰিয়া-কলাপটো সম্প্ৰসাৰিত কৰিব পাৰে, যেনে— পানী:জল/সুৰ্য: সূৰজ ইত্যাদি।
8. এই কাৰ্য্যক অধিক ৰোমাঞ্চকৰ কৰি তুলিবলৈ স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক সেই শব্দটো ব্যৱহাৰ কৰি বাক্য লিখিবলৈ ক'ব, যেনে— बच्चे पेड़ से लटक रहे हैं। लालटेन जलाते ही उजाला हो जाता है।
9. স্বেচ্ছাসেৱী শিক্ষকে বটলৰ সাঁফৰবোৰ সংখ্যালৈও সলনি কৰিব পাৰে আৰু তাৰ সৈতে জড়িত বিভিন্ন প্ৰশ্ন তলত দিয়া ধৰণে শিকাৰুসকলক সুধিব পাৰে —
   - 46, 446, 44 ইত্যাদিত 4 সংখ্যাটো কিমানবাৰ পোৱা যায়?
   - 6 সংখ্যাটো পোৱা যিকোনো দহটা সংখ্যা কওক।
10. স্বেচ্ছাসেৱী শিক্ষকে সংখ্যা থকা সাঁফৰবোৰ উলিয়াই শিকাৰুসকলক তাত লিখা সংখ্যাবোৰ যোগ কৰি উত্তৰটো লিখিবলৈ ক'ব পাৰে।

## শিকাৰুসকলে কি শিকিলে

- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল-4 সাক্ষৰতা)
- শিকাৰুৰ নিজা পৰিৱেশ পৰিস্থিতি সাপেক্ষে পোৱা যিকোনো লিখিত পাঠ পঢ়িব পাৰিব আৰু তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা আৰু পৰিস্থিতিৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল 10- সাক্ষৰতা)

## ক্ৰিয়া-কলাপ ৪ ঃ আনন্দৰে পঢ়ক




22-23 অক্টোবৰ 2024 ত হাৰিয়ানাৰ গুৰুগ্ৰামত অনুষ্ঠিত প্ৰথম আঞ্চলিক সন্মিলনত হিমাচল প্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


### উদ্দেশ্য

- ছবিৰ সহায়ত পঢ়া দক্ষতা বিকাশৰ সুবিধা প্ৰদান কৰা

### প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ/ৰঙীন ডাঠ কাগজ
- মাৰ্কাৰ কলম/পেঞ্চিল
- স্কেল
- কাগজ কটা সঁজুলি/কেঁচী
- চেল'টেপ/ফেভিকল

## পৰ্যায়




চিত্ৰ 1

**পৰ্যায় 1**


- কাৰ্ডব'ৰ্ড এখন লৈ চিত্ৰ 1 ত দেখুওৱাৰ দৰে 3x2 ইঞ্চি জোখত কাটি লওক।



চিত্ৰ 2

**পৰ্যায় 2**

- চিত্ৰ 2 ত দেখুওৱাৰ দৰে ইয়াৰ ওপৰত এখন চাৰ্ট পেপাৰ/ৰঙীন কাগজ আঠা লগাওক।




চিত্ৰ 3

**পৰ্যায় 3**

- **বিঃ দ্ৰঃ** এই পদক্ষেপৰ আগতে শিকাৰুক মাত্ৰা স্বৰ চিহ্ন ব্যৱহাৰ কৰি শব্দ গঠন কৰিবলৈ শিকাব লাগে।
- 3 নং চিত্ৰত দেখুওৱাৰ দৰে কাগজখিলাৰ বাওঁফালে মেডক, পেড়, আম, বিল্লী আদি শব্দ লিখক।




চিত্ৰ 4

**পৰ্যায় 4**

- 4 নং চিত্ৰত দেখুওৱাৰ দৰে বাওঁফালে লিখা সংশ্লিষ্ট শব্দবোৰৰ ছবি আঁকক/আঠা লগাওক।

## কেনেকৈ ব্যৱহাৰ কৰিব


1. স্বেচ্ছাসেৱী শিক্ষকে আৰম্ভণিতে শিকাৰুসকলক তেওঁলোকে আখৰ চিনাক্ত কৰিবলৈ আৰু চিনাকি শব্দ পঢ়িবলৈ চেষ্টা কৰিব বুলি কৈ ক্ৰিয়া-কলাপটোৰ পৰিচয় কৰি দিব। তেওঁলোকে পঢ়িবলৈ প্ৰতিচ্ছবি/চিত্ৰৰ পৰা সহায় ল'ব পাৰিব।
2. স্বেচ্ছাসেৱী শিক্ষকে প্ৰথমে শিকাৰুসকলক পৰ্যবেক্ষণ কৰিবলৈ প্ৰস্তুত কৰা তালিকাখন দেখুৱাব।
3. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক পাল পাতি শব্দবোৰ পঢ়িবলৈ ক'ব পাৰে। যদি তেওঁলোকে শব্দটো পঢ়িব নোৱাৰে, তেন্তে পঢ়াৰ সুবিধাৰ বাবে স্বেচ্ছাসেৱী শিক্ষকে প্ৰতিচ্ছবি/চিত্ৰৰ ওপৰত মনোযোগ আকৰ্ষণ কৰাব।
4. শিকাৰুৱে যেতিয়া স্বতন্ত্ৰভাৱে শব্দ পঢ়িব, তেতিয়া স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক কিছুমান ছন্দযুক্ত শব্দৰ কথা ভাবিবলৈ ক'ব, যেনে— লাল, জাল, কাল, হাল, পাল আদি।
5. শিকাৰুসকলক কোঠাটোত থকা বস্তুবোৰৰ তালিকা প্ৰস্তুত কৰিবলৈ কওক আৰু সেইবোৰ বোৰ্ডত লিখিবলৈ চেষ্টা কৰিবলৈ কওক । তেওঁলোকক ইয়াৰে শব্দ তৈয়াৰ কৰিবলৈ কওক, উদাহৰণস্বৰূপে — अलमारी, कुर्सी, मेज, पंखा, दरवाजा।

## শিকাৰুসকলে কি শিকিলে

- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল-4 সাক্ষৰতা)
- এটা শব্দ ভাঙি পঢ়িবলৈ, সম্পূৰ্ণ শব্দ চিনাক্ত কৰিবলৈ, ছবি বা প্ৰাসংগিক বিষয় অনুযায়ী অনুমান কৰিবলৈ একাধিক উপায় ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 6- সাক্ষৰতা)
- স্পষ্টকৈ বিভিন্ন আখৰ, চুটি শব্দৰ পাঠ লিখিব পাৰিব (শিকন ফলাফল 8- সাক্ষৰতা)
- তেওঁলোকৰ নিজৰ ভাষাৰে যিকোনো সাধাৰণ বস্তুৰ নাম, ছবিৰ নাম খোদিত কৰিব পাৰিব। (শিকন ফলাফল 11- সাক্ষৰতা)
- যিকোনো পাঠ প্ৰথমে সহায়লৈ, পাছত ক্ৰমান্বয়ে নিজে পঢ়িব পাৰিব। (শিকন ফলাফল 12- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 9 : আখৰ আৰু সংখ্যাৰ সৈতে ধেমালি






1-2 আগষ্ট 2024 ত হাৰিয়ানাৰ গুৰুগ্ৰামত অনুষ্ঠিত প্ৰথম আঞ্চলিক সন্মিলনত ৰাজস্থানে প্ৰস্তুত কৰা শিকণ-শিক্ষণ সামগ্ৰী


## উদ্দেশ্য

- আখৰ চিনাক্ত কৰা
- আখৰৰ সহায়ত অৰ্থপূৰ্ণ শব্দ গঠন কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডবৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- কাগজ কটা সঁজুলি/কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- খাৰু/থাল/প্লেট (বৃত্ত আঁকিবলৈ)
- চেল'টেপ/ফেভিকল/ফেভিষ্টিক
- মাৰ্কাৰ/কলম


## পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**


- কাৰ্ডব'ৰ্ড এখন লৈ বৰ্গাকৃতিত কাটি লওক।
- চিত্ৰ 1 ত দেখুওৱাৰ দৰে চাৰ্ট পেপাৰখন কাৰ্ডব'ৰ্ডত আঠা লগাওক।



চিত্ৰ 2

**পৰ্যায় 2**


- ইয়াতে চাৰিটা বৃত্ত আঁকক।
- চিত্ৰ 2 ত দেখুওৱাৰ দৰে কাঁড় চিহ্নৰে বৃত্তবোৰ সংযোগ কৰক।



চিত্ৰ 3

**পৰ্যায় 3**

- কাৰ্ডব'ৰ্ডখন চিত্ৰ 3ত দেখুওৱাৰ দৰে স্বচ্ছ প্লাষ্টিকৰ পাতেৰে ঢাকি দিব।




চিত্ৰ 4

**পৰ্যায় 4**


- অৰ্থপূৰ্ণ শব্দৰ তালিকা এখন বনাওক, যেনে— करेला, अनार, सड़क।
- তালিকাৰ পৰা এটা শব্দ বাছি লওক আৰু চিত্ৰ 4ত দেখুওৱাৰ দৰে সেই বিশেষ শব্দটোৰ আখৰবোৰ আংশিকভাৱে লিখক।
- শিকাৰুসকলক দিয়া আখৰৰ সহায়ত অৰ্থপূৰ্ণ শব্দবোৰ তৈয়াৰ কৰিব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক এনেদৰে বুজাই আৰম্ভ কৰিব পাৰে— আমি বৃত্তত লিখা আখৰবোৰ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ শব্দবোৰ গঠন কৰিম।
2. স্বেচ্ছাসেৱী শিক্ষকে অৰ্থপূৰ্ণ শব্দৰ তালিকা প্ৰস্তুত কৰিব, যেনে— करेला, अनार, सड़क, फसल, बारह।
3. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক প্ৰথমে বৃত্তত দেখুওৱা আখৰবোৰ চিনাক্ত কৰিবলৈ ক'ব তাৰ পাছত শিকাৰুৱে নিৰ্দিষ্ট স্থানত সেইবোৰৰ সৈতে অৰ্থপূৰ্ণ শব্দ গঠন কৰিব।
4. শিকাৰুসকলক আৰু কেইটামান আখৰ চিনাক্ত কৰি অৰ্থপূৰ্ণ শব্দ গঠন কৰিবলৈ কওক

আৰু সেইবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰিবলৈ কওক।

5. স্বেচ্ছাসেৱী শিক্ষকে এই ক্ৰিয়া-কলাপ ব্যৱহাৰ কৰিও তেওঁলোকক চিত্ৰ 5ত দেখুওৱাৰ দৰে গাণিতিক কাৰ্য্যৰ বিভিন্ন ধাৰণা শিকিবলৈ বাধ্য কৰিব পাৰে।




চিত্ৰ 5

## শিকাৰুসকলে কি শিকিলে

- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)
- আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব। (শিকন ফলাফল-4 সাক্ষৰতা)
- এটা শব্দ ভাঙি পঢ়িবলৈ, সম্পূৰ্ণ শব্দ চিনাক্ত কৰিবলৈ, ছবি বা প্ৰাসংগিক বিষয় অনুযায়ী অনুমান কৰিবলৈ একাধিক উপায় ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 6- সাক্ষৰতা)
- নিৰ্দিষ্ট আখৰ বা ধ্বনিৰে আৰম্ভ হোৱা, এটা নিদিষ্ট আখৰ বা ধ্বনিৰ শেষ হোৱা শব্দবোৰো চিনাক্ত কৰি তালিকা প্ৰস্তুত কৰিব পাৰিব। ((শিকন ফলাফল 7- সাক্ষৰতা)
- স্পষ্টকৈ বিভিন্ন আখৰ, চুটি শব্দৰ পাঠ লিখিব পাৰিব (শিকন ফলাফল 8- সাক্ষৰতা)

# ক্ৰিয়া-কলাপ 10 ঃ চকৰি






23-24 অক্টোবৰ 2024 ত অসমৰ গুৱাহাটীত অনুষ্ঠিত তৃতীয় আঞ্চলিক সন্মিলনত ঝাৰখণ্ডে প্ৰস্তুত কৰা শিক্ষণ শিকন সামগ্ৰী


## উদ্দেশ্য

- বৰ্ণ চিনাক্ত কৰা
- বৰ্ণ-শব্দৰ সম্পৰ্ক বুজি পোৱা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেঞ্চিল
- কাগজ কটা সঁজুলি/কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- ফেভিকল
- থাম্ব পিন/ফিজেট স্পিনাৰ


## পৰ্যায়



চিত্ৰ 1

### পৰ্যায় 1


- কাৰ্ডব'ৰ্ড লওক আৰু চিত্ৰ 1 ত দেখুওৱাৰ দৰে ইয়াৰ ওপৰত চাৰ্ট পেপাৰ আঠা লগাওক। চিত্ৰ 2 ত দেখুওৱাৰ দৰে কাৰ্ডব'ৰ্ডৰ পৰা দুটা একে বৃত্ত আৰু দুটা বৰ্গ কাটি লওক।



চিত্ৰ 2

### পৰ্যায় 2


- চিত্ৰ 2 ত দেখুওৱাৰ দৰে প্ৰতিটো বৃত্তৰ ওপৰত ছটা ভাগ কৰক।




চিত্ৰ 3

### পৰ্যায় 3

- চিত্ৰ 3 আৰু 4ত দেখুওৱাৰ দৰে দুয়োটা চকাৰ প্ৰতিটো ভাগত বিভিন্ন আখৰ লিখক। বৰ্ণবোৰ এনেদৰে লিখিব যাতে घर, हल, नल, सब ইত্যাদি অৰ্থপূৰ্ণ শব্দৰ তালিকা প্ৰস্তুত কৰিব পৰা যায়। আন আঞ্চলিক ভাষাৰ শব্দ ব্যৱহাৰ কৰি আশা কৰা ধৰণৰ ফলাফল লাভ কৰিব পাৰি।




চিত্ৰ 4

### পৰ্যায় 4

- চিত্ৰ 4 ত দেখুওৱাৰ দৰে অৰ্থপূৰ্ণ শব্দ গঠন কৰিবলৈ সংশ্লিষ্ট সকলো অংশ যোগ কৰক।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে প্ৰদৰ্শনৰ জৰিয়তে শিকাৰুসকলক ক্ৰিয়া-কলাপটোৰ পৰিচয় কৰাই দিব।
2. শিকাৰুসকলক দুটা দলত ভাগ কৰা হ'ব।
3. স্বেচ্ছাসেৱী শিক্ষকে এটা দলৰ শিকাৰুক প্ৰথম চকৰিটো ঘূৰাই দিবলৈ ক'ব।
4. আনটো দলৰ শিকাৰুৱে আখৰটো চিনাক্ত কৰি কাষৰ চকাটো ঘূৰাই সঘনাই ব্যৱহৃত শব্দ গঠন কৰিব।
5. যদি শিকাৰুৱে আখৰ চিনাক্ত কৰাত অসুবিধা পায় তেন্তে স্বেচ্ছাসেৱী সেই আখৰটো ব্যৱহাৰ কৰি কিছুমান ইংগিত দিব পাৰে যাতে শিকাৰুৱে শব্দটো চিনাক্ত কৰিব পাৰে। যেনে — हम वहाँ रहते हैं। (घर), हम उससे खेत जोतते हैं। (हल).
6. শুদ্ধ উত্তৰ দিলে স্বেচ্ছাসেৱী শিক্ষকে পাঁচ নম্বৰ দিব। এইটোৱে তেওঁলোকক শিক্ষণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ প্ৰেৰণা দিব।
7. এই ক্ৰিয়াকলাপটো অধিক বিশদভাৱে বৰ্ণনা কৰিবলৈ স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুক চিনাক্ত কৰা শব্দটো ব্যৱহাৰ কৰি বাক্য গঠন কৰিবলৈ ক'ব।
8. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক নিজৰ মাতৃভাষা ব্যৱহাৰ কৰি শব্দ আৰু বাক্য গঠন কৰাৰ বাবে সুযোগ দিব পাৰে। স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলে গঠন কৰা শব্দসমূহৰ বিষয়ে আলোচনা আৰম্ভ কৰিব পাৰে আৰু তেওঁলোকক তেওঁলোকৰ অভিজ্ঞতাসমূহ ভাগ-বতৰা কৰিবলৈ ক'ব পাৰে।

## শিকাৰুসকলে কি শিকিলে

- শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব। (শিকন ফলাফল 1- সাক্ষৰতা)
- নিৰ্দিষ্ট আখৰ বা ধ্বনিৰে আৰম্ভ হোৱা, এটা নিদিষ্ট আখৰ বা ধ্বনিৰ শেষ হোৱা শব্দবোৰো চিনাক্ত কৰি তালিকা প্ৰস্তুত কৰিব পাৰিব। ((শিকন ফলাফল 7- সাক্ষৰতা)
- যিকোনো এটা ভাষা অথবা পাঠত সঘনাই ব্যৱহৃত শব্দ চিনিব পাৰিব। (শিকন ফলাফল 9- সাক্ষৰতা)
- কোনো পাঠ বা বিষয়ৰ অন্যান্য আনুষংগিক চিন্তন তথা অন্বেষণ কৰিবলৈ আলোচনাত মিলিত হ'ব পাৰিব। (শিকন ফলাফল 14- সাক্ষৰতা)

جان جان سکشیر

ਜਨ ਤਕ
ਸਾਖਰ

लोक
साक्षर अछि

জন জন

ଜନ ଜନ
ସାକ୍ଷରତା

ஜன் ஜன்
எழுத்தறிவு

সাক্ষৰ

జన జన
సాక్షర

ஜன் ஜன்
சக்ஷர்

लोक साक्षर
आहेत

جان جان سکشیر

# जन जन साक्षर

ਜਨ ਤਕ
ਸਾਖਰ

Jan Jan
Saakshar

ஜன் ஜன்
எழுத்தறிவு

जनाः
जनाः
साक्षराः

लोक साक्षर
आहेत

लोक
साक्षर अछि

ஜன் ஜன்
சக்ஷர்

જન જન
સાક્ષર

लोक साक्षर
आसात



বুনিয়াদী

# সাংখ্যিকতা



جان جان سکشیر

ਜਨ ਤਕ
ਸਾਖਰ

लोक
साक्षर अछि

জন জন

ଜନ ଜନ
ସାକ୍ଷରତା

ஜன் ஜன்
எழுத்தறிவு

সাক্ষৰ

జన జన
సాక్షర

ஜன் ஜன்
சக்ஷர்

लोक साक्षर
आहेत

جان جان سکشیر

# जन जन साक्षर

ਜਨ ਤਕ
ਸਾਖਰ

Jan Jan
Saakshar

ஜன் ஜன்
எழுத்தறிவு

जनाः
जनाः
साक्षराः

लोक साक्षर
आहेत

लोक
साक्षर अछि

ஜன் ஜன்
சக்ஷர்

જન જન
સાક્ષર

लोक साक्षर
आसात

# ক্ৰিয়া-কলাপ 11 ঃ ৰঙৰ সৈতে খেলা




12-13 ছেপ্তেম্বৰ, 2024ত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত হোৱা দ্বিতীয় আঞ্চলিক সন্মিলনত মধ্যপ্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী

## উদ্দেশ্য

- সংখ্যৰ ধাৰণা শিকা আৰু লিখাৰ অৰ্হতা আহৰণ কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড / ট্ৰে
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল / ৰঙীন কলম
- কাগজ কটা সঁজুলি / কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- স্কেল
- ৰংগোলীৰ ৰং

# পৰ্যায়




চিত্ৰ 1

**পৰ্যায় 1**


- 1 নং চিত্ৰত দেখুওৱাৰ দৰে এটা বাকচ লৈ তাৰ ওপৰত চাৰ্ট পেপাৰ আঠা লগাওক আৰু বাকচটো 'সংখ্যা', 'আখৰ' আৰু 'ৰঙৰ সৈতে অভ্যাস কৰক' নামেৰে ভাগ কৰক।




চিত্ৰ 2

**পৰ্যায় 2**

- কাৰ্ডব'ৰ্ড আৰু চাৰ্ট পেপাৰখন বৰ্গাকৃতিত কাটি লওক। 2 নং চিত্ৰত দেখুওৱাৰ দৰে চাৰ্ট পেপাৰখন কাৰ্ডব'ৰ্ডত আঠা লগাই তাত সংখ্যাবোৰ লিখক।




চিত্ৰ 3

**পৰ্যায় 3**

- 3 নং চিত্ৰত দিয়াৰ দৰে 'ৰঙৰ সৈতে অভ্যাস কৰক' নামৰ ভাগটোত ৰংগোলীৰ ৰঙেৰে পূৰ কৰক।


## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকসকলে এই ক্ৰিয়া-কলাপটো শিকাৰুসকলৰ সৈতে সংখ্যা আৰু আখৰৰ বিষয়ে আলোচনা কৰি আৰম্ভ কৰিব।
2. স্বেচ্ছাসেৱী শিক্ষকে এজন শিকাৰুক সংখ্যা বাকচৰ পৰা যিকোনো এটা সংখ্যা বাছি উলিয়াবলৈ দিব।
3. স্বেচ্ছাসেৱী শিক্ষকে অন্যান্য শিকাৰুসকলক সেই নিৰ্দিষ্ট সংখ্যাটো চিনাক্ত কৰিবলৈ ক'ব।
4. শিকাৰুৱে সেই বিশেষ সংখ্যাটো চিনাক্ত কৰাৰ পাছত সেই সংখ্যাটো ৰংগোলী ৰঙেৰে লিখিব।
5. সংখ্যাটো চিনাক্ত কৰাৰ পাছত, স্বেচ্ছাসেৱী শিক্ষকে সংখ্যাৰ জটিলতাৰ স্তৰ বৃদ্ধি কৰিব পাৰে। উদাহৰণস্বৰূপে, 58 সংখ্যাটোকে লৈ কিছুমান প্ৰশ্ন আলোচনা কৰিব পাৰে।
6. 58 ৰ পিছত কোনটো সংখ্যা আছে ?
7. 58 ৰ আগত কোনটো সংখ্যা আছে ?
8. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক '4' থকা কিছুমান সংখ্যা লিখিবলৈ ক'ব। উদাহৰণস্বৰূপে - 14, 44, 54, 64 ইত্যাদি।

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 12 ঃ সংখ্যাৰ সৈতে খেলা




12-13 ছেপ্টেম্বৰ, 2024 ত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত হোৱা দ্বিতীয় আঞ্চলিক সন্মিলনত ছত্তীশগড়ে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- সংখ্যা চিনাক্ত কৰা, পঢ়া আৰু সংখ্যাৰ স্থান নিৰ্ণয় কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেঞ্চিল/ৰঙীন কলম
- স্কেল
- ষ্টিকাৰ (বিন্দি)
- ফেভিকল/ফেভিষ্টিক


## পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**


- বৰ্গক্ষেত্ৰৰ আকৃতিৰ চাৰ্ট পেপাৰ এখন কাৰ্ডব'ৰ্ডত আঠা লগাই লওক।



চিত্ৰ 2

**পৰ্যায় 2**

- কাৰ্ডব'ৰ্ডত আঠা লগাই লোৱা চাৰ্ট পেপাৰখনক চিত্ৰ 2 ত দেখুওৱাৰ দৰে চাৰিটা স্তম্ভত ভাগ কৰক।




চিত্ৰ 3

**পৰ্যায় 3**

- 3 নং চিত্ৰত দেখুওৱাৰ দৰে এফালে 1 ৰ পৰা 5 লৈকে সংখ্যা লিখক আৰু আনটো ফালে 6 ৰ পৰা 10 লৈকে সংখ্যা লিখক।


## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলৰ সৈতে সংখ্যাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰি আৰম্ভ কৰিব পাৰে, যেনে— তেওঁলোকে সংখ্যা ক'ত ব্যৱহাৰ কৰে, তেওঁলোকৰ দৈনন্দিন জীৱনত সংখ্যাৰ গুৰুত্ব, বাছৰ নম্বৰ কেনেকৈ চিনাক্ত কৰে, ৰে'লৰেৰ টিকটত থকা আসনৰ নম্বৰ, ফোন নম্বৰ আদিৰ বিষয়ে জ্ঞান।
2. ওপৰৰ স্তম্ভত লিখা সংখ্যাৰ সমান সংখ্যক বিন্দি ষ্টিকাৰ খালী ঠাইত লগাই স্বেচ্ছাসেৱী শিক্ষকে কাৰ্যকলাপ আৰম্ভ কৰিব।
3. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক সংখ্যা গণনা কৰিবলৈ ক'ব আৰু পৰৱৰ্তী স্তম্ভত একে পৰিমাণৰ বিন্দি লগাবলৈ দিব।
4. স্বেচ্ছাসেৱী শিক্ষকে লিখা সংখ্যাবোৰ সম্পূৰ্ণ কৰিবলৈ শিকাৰুক বিন্দি লগাবলৈ ক'ব।
5. স্বেচ্ছাসেৱী শিক্ষকে এইধৰণৰ প্ৰশ্ন সুধি জটিলতাৰ মাত্ৰা বৃদ্ধি কৰিব পাৰে—
   - 5 ৰ আগত কোনটো সংখ্যা আছে?
   - 8 ৰ পিছত কোনটো সংখ্যা আছে?
   - যোগ আৰু বিয়োগৰ মৌলিক গাণিতিক সমস্যা সমাধান কৰিবলৈ দিব পাৰে। যেনে— $2 + 1 = 3$, $9-5 = 4$ আদি।

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 2- সাংখ্যিকতা)
- যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 3- সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 13 ঃ সংখ্যাৰ খেল




22-23 অক্টোবৰ 2024 ত অসমৰ গুৱাহাটীত অনুষ্ঠিত তৃতীয় আঞ্চলিক সন্মিলনত ত্ৰিপুৰাই প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী

## উদ্দেশ্য

- গণনাৰ ধাৰণা, সংখ্যা আৰু সংখ্যাৰ কাৰ্য, যেনে— যোগ, বিয়োগৰ ধাৰণা বিকাশ কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেন্সিল
- স্কেল
- চেল'টেপ/ফেভিকল

## পৰ্যায়


### পৰ্যায় 1



চিত্ৰ 1

- 1 নং চিত্ৰত দেখুওৱাৰ দৰে এখন কাৰ্ডব'ৰ্ড লৈ তাত এখন চাৰ্ট পেপাৰ আঠা লগাওক।


### পৰ্যায় 2



চিত্ৰ 2

- চাৰ্ট পেপাৰখন চাৰিটা অংশত ভাগ কৰি সীমা টানি লওক। 2 নং চিত্ৰত দেখুওৱাৰ দৰে দুটা অংশ বস্তুৰ বাবে, এটা কাৰ্যকৰী চিহ্ন (=, −)ৰ বাবে আৰু এটা ফলাফলৰ বাবে ভাগ কৰিব।

### পৰ্যায় 3




চিত্ৰ 3

- প্ৰথম আৰু তৃতীয় অংশত বস্তুকেইটাৰ ছবি অংকন কৰিব। দ্বিতীয় অংশটো যোগ বা বিয়োগৰ চিহ্নৰ বাবে ৰাখিব আৰু 3য় ছবিত দেখুওৱাৰ দৰে ভাৱ-বিনিময়ৰ যোগেদি কাৰ্যকলাপ কৰিবৰ বাবে এক উপায় চিনাক্ত কৰিব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. এই ক্ৰিয়া-কলাপ আৰম্ভ কৰিবৰ বাবে স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুসকলক প্ৰদত্ত অংকটো সমাধান কৰিবলৈ দিব।


2. স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুসকলক যোগ-বিয়োগ (+,−) চিহ্নৰ ওপৰত মনোযোগ দিবলৈ ক'ব আৰু চিহ্ন অনুযায়ী বস্তুবোৰ গণনা কৰিবলৈ দিব।
3. স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুক বস্তুবোৰ যোগ আৰু বিয়োগ কৰিবলৈ আৰু প্ৰদত্ত ঠাইত উত্তৰ লিখিবলৈ উৎসাহিত কৰিব। উদাহৰণস্বৰূপে— স্বেচ্ছাসেৱী শিক্ষকে এটা বাকচত 5 টা আপেল ৰাখি যোগ চিন দি 3 টা আপেল পুনৰ ৰাখিব। তাৰ পাছত তেওঁলোকক গণনা কৰিবলৈ দি 8 টো লিখিবলৈ দিব।
4. জটিলতা পৰ্যায়ক্ৰমে বৃদ্ধি কৰি, স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুক বেছি বস্তু দি সেইবোৰ যোগ/বিয়োগ কৰিবলৈ দিব।
5. যোগ/বিয়োগ কৰিবলৈ শিকাৰুসকলে ব্যৱহাৰ কৰা বিভিন্ন উপায়সমূহৰ বিষয়ে স্বেচ্ছাসেৱী শিক্ষকসকলে আলোচনা কৰিব পাৰে।
6. স্বেচ্ছাসেৱী শিক্ষকে সংখ্যাৰ লগত ব্যৱহৃত চিনবোৰ ইফাল-সিফাল কৰিও এই ক্ৰিয়া-কলাপটো বৰ্ধিত ৰূপত কৰিব পাৰে।

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 2- সাংখ্যিকতা)
- যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 3- সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 14 ঃ আগত আৰু পিছত






1-2 আগষ্ট 2024 ত গুৰুগ্ৰাম, হাৰিয়ানাত অনুষ্ঠিত প্ৰথম আঞ্চলিক সন্মিলনত হিমাচল প্ৰদেশে প্ৰস্তুত কৰা শিক্ষণ শিকন সামগ্ৰী

## উদ্দেশ্য

- সংখ্যাৰ ক্ৰম অনুসৰি সংখ্যা এটাৰ আগৰ আৰু পিছৰ সংখ্যাৰ ধাৰণা বিকাশ কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল
- জুইশলা বাকচ
- স্কেল
- কাগজ কটা সঁজুলি / কেঁচী
- চেল'টেপ / ফেভিক'ল


# পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**


- কাৰ্ডব'ৰ্ডৰ টুকুৰা এটা লৈ চিত্ৰ 1 ত দেখুওৱাৰ দৰে আয়তকাৰ আকৃতিত কাটি লওক।



চিত্ৰ 2

**পৰ্যায় 2**


- চিত্ৰ 2 ত দেখুওৱাৰ দৰে আকৃতিটোৰ ওপৰত এখন চাৰ্ট পেপাৰ আঠা লগাওক।



চিত্ৰ 3

**পৰ্যায় 3**


- জুইশলাৰ বাকচ এটা লৈ চিত্ৰ 3 ত দেখুওৱাৰ দৰে বাহিৰৰ আৰু ভিতৰৰ অংশত ৰঙীন কাগজ আঠা লগাওক।




চিত্ৰ 4

**পৰ্যায় 4**

- বাকচৰ বাহিৰৰ অংশত 1 ৰ পৰা 10 লৈকে সংখ্যা লিখক। ভিতৰৰ অংশৰ পিছফালটো দুটা ভাগত ভাগ কৰি দুটা সংখ্যা লিখক। চিত্ৰ 4 ত দেখুওৱাৰ দৰে বাহিৰৰ অংশত এই সংখ্যা দুটা এটা সংখ্যাৰ আগত আৰু এটা সংখ্যাৰ পিছত লিখি আঠা দিয়ক। এটা লেবেল যুক্ত সংখ্যাৰ আগত আৰু আনটো লেবেলযুক্ত সংখ্যাৰ পিছত।




চিত্ৰ 5

**পৰ্যায় 5**

- 5 নং চিত্ৰত দেখুওৱাৰ দৰে ব'ৰ্ডত জুইশলাৰ বাকচবোৰ আঠা লগাওক। উদাহৰণস্বৰূপে- যদি আপুনি জুইশলা বাকচৰ বাহিৰৰ অংশত 5 সংখ্যাটো লিখে, তেন্তে ভিতৰৰ অংশৰ বাওঁফালে আপুনি 5 সংখ্যাৰ আগত অহা 4 সংখ্যাটো আৰু সোঁফালে 5ৰ পিছত অহা 6 সংখ্যাটো লিখিব।


## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক 1 ৰ পৰা 20 লৈকে গণনা কৰিবলৈ ক'ব। লগতে 5 সংখ্যাৰ আগত আৰু পিছত কি সংখ্যা আহিব সেই বিষয়েও চিন্তা কৰিবলৈও দিব।
2. স্বেচ্ছাসেৱী শিক্ষকে জুইশলা বাকচৰ সৈতে প্ৰস্তুত কৰা কাৰ্ড দেখুৱাব পাৰে।
3. শিকাৰুসকলক এটা বাকচত থকা যিকোনো সংখ্যা পঢ়িবলৈ ক'ব আৰু তাৰ পিছত জুইশলা বাকচৰ ভিতৰৰ অংশটো বাওঁফালে আৰু সোঁফালে ঠেলি সেই সংখ্যাৰ আগত আৰু পিছত কি সংখ্যা আহিছে সেয়া দেখুৱাব।
4. শিকাৰুসকলক ব'ৰ্ড ব্যৱহাৰ কৰি ক্ৰমানুসাৰে কোনটো সংখ্যা আগত বা পিছত বহিব এজন এজনকৈ ক'বলৈ দিব।
5. আগৰ আৰু পিছৰ সংখ্যাৰ পৰা আৰম্ভ কৰি 30 ৰ পৰা 50 আৰু পিছলৈ 90 লৈ আৰু সেই অনুসৰি গণনা বৃদ্ধি কৰি থাকিব।
6. ইয়াৰ উপৰি স্বেচ্ছাসেৱী শিক্ষকে ব'ৰ্ড ব্যৱহাৰ কৰি ভিতৰৰ অংশত দুটা অংকৰ সংখ্যা 76 আৰু বাহিৰৰ অংশত 8 এটা সংখ্যা ৰাখি স্থানীয় মান বুজিবলৈ সহায় কৰিব পাৰে।
7. স্বেচ্ছাসেৱী শিক্ষকে তিনিটা অংকৰ সংখ্যা (768) পঢ়িবলৈ কোৱাৰ লগতে স্থানীয় মান (একক, দহক,শতক)ৰ বিষয়ে ক'ব।
8. স্বেচ্ছাসেৱী শিক্ষকে জুইশলাৰ বাকচবোৰ ব্যৱহাৰ কৰি স্থানীয় মান নিৰ্ণয় কৰিবলৈ দিব।

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- 1ৰ পৰা 999 লৈ সংখ্যাত একক, দহক আৰু শতকৰ ধাৰণা বুজিবলৈ আৰু গাণিতিক কাৰ্যসমূহ ব্যৱহাৰ কৰিবলৈ শিকিব। ( শিকন ফলাফল 4 - সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 15 ঃ সংখ্যা পটি



1-2 আগষ্ট 2024 ত গুৰুগ্ৰাম, হাৰিয়ানাত অনুষ্ঠিত প্ৰথম আঞ্চলিক সন্মিলনত উত্তৰাখণ্ডে প্ৰস্তুত কৰা শিক্ষণ শিকন সামগ্ৰী


## উদ্দেশ্য

- যোগ, বিয়োগ আদি গাণিতিক কাম কাজৰ ধাৰণাৰ বিকাশ

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা / ৰঙীন)
- মাৰ্কাৰ কলম / পেঞ্চিল
- কাগজ কটা সঁজুলি / কেঁচী
- চেল'টেপ / ফেভিকল বা আঠা

# পৰ্যায়



চিত্ৰ 1

## পৰ্যায় 1


- এখন কাৰ্ডবৰ্ড লওক আৰু চিত্ৰ 1 ত দেখুওৱাৰ দৰে গছ এজোপাৰ আৰ্হিত এই কাৰ্ডবৰ্ডখন কাটি লওক।



চিত্ৰ 2

## পৰ্যায় 2


- চিত্ৰ 2 ত দেখুওৱাৰ দৰে ৰঙীন কাগজৰ টুকুৰা আঠা লগাই দিয়ক।




চিত্ৰ 3

## পৰ্যায় 3

- চাৰ্ট পেপাৰৰ পৰা দুটা দীঘল পটি কাটি সংখ্যাৰ পটি প্ৰস্তুত কৰক। প্ৰতিটো পটিত সংখ্যা চিত্ৰ 3ত দেখুওৱাৰ দৰেৰে 1 ৰ পৰা 9 লৈকে ক্ৰমান্বয়ে লিখক।





চিত্ৰ 4

## পৰ্যায় 4

- গছৰ জোপোহা অংশৰ তলত দুডাল উলম্ব ঠাৰি লগাওক যাতে সেই ঠাৰি দুডাল ইফাল সিফাল কৰিব পৰা যায় এতিয়া তাতে যোগ (+), বিয়োগ (–), পূৰণ (×), হৰণ (÷) চিন ৰাখক। চিত্ৰত দেখুওৱাৰ দৰে সমান (=) চিন ডালো ৰাখক। এতিয়া সৰুকৈ বিভিন্ন ৰঙৰ চাৰ্ট পেপাৰেৰে এটা আয়তাকাৰ পকেট গছ জোপাৰ তলত ৰাখক। এই পকেটটোত শিকাৰুৱে উত্তৰ লিখি ৰাখিব পৰাকৈ খালী কাৰ্ডবোৰ ৰাখিব পাৰিব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. সংখ্যাৰ লগত জড়িত আলোচনা শিকাৰুসকলৰ সৈতে স্বেচ্ছাসেৱী শিক্ষকসকলে আৰম্ভ কৰিব। উদাহৰণস্বৰূপে- স্বেচ্ছাসেৱী শিক্ষকসকলে দৈনন্দিন জীৱনত সংখ্যাৰ ব্যৱহাৰ ক'ত ক'ত দেখা পাইছে, সেই দৈনন্দিন কামবোৰ কি সুধিব। আলোচনাৰ মাজতে যোগ, বিয়োগ বা অন্যান্য গাণিতিক কামৰ বিষয়ে ধাৰণা দিবলৈ চেষ্টা কৰিব।
2. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক দুটা বেলেগ বেলেগ সংখ্যা দেখুৱাবলৈ পটিবোৰ লৰচৰ কৰিবলৈ দিব।
3. তাৰ পাছত গছজোপাৰ আয়তাকাৰ টুকুৰাবোৰত দেখুওৱা সংখ্যা আৰু চিহ্নটো চিনাক্ত কৰিবলৈ ক'ব। চিহ্নটো চিনাক্ত কৰাৰ পাছত শিকাৰুৱে দুয়োটা সংখ্যা যোগ বা বিয়োগ কৰি ছবি- 5 ত দেখুওৱা ধৰণে উত্তৰটো লিখিব।
4. স্বেচ্ছাসেৱী শিক্ষকে তৃতীয় পটি এডাল যোগ কৰি সংখ্যাৰ জটিলতা বৃদ্ধি কৰি যাব।
5. যোগৰ লগতে স্বেচ্ছাসেৱী শিক্ষকে বিয়োগ, পূৰণ, হৰণ আদিৰ দৰে গাণিতিক চিহ্ন ব্যৱহাৰ কৰিবলৈ দিব।
6. এই শিক্ষণ-শিকন সামগ্ৰীটো ভাষাৰ ক্ষেত্ৰটো ব্যৱহাৰ কৰিব পাৰে। আখৰৰ পটি ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ শব্দ (দুটা আখৰ বা তিনিটা আখৰৰ শব্দ) গঠন কৰিবলৈ দিব। (উদাহৰণস্বৰূপে Go / Bus / Tap)





চিত্ৰ 5

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 2- সাংখ্যিকতা)
- যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 3- সাংখ্যিকতা)
- 1ৰ পৰা 999 লৈ সংখ্যাত একক, দহক আৰু শতকৰ ধাৰণা বুজিবলৈ আৰু গানিতিক ব্যৱহাৰ কৰিবলৈ শিকিব। ( শিকন ফলাফল 4 - সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 16ঃ গণনা কৰি সংখ্যা শিকোঁ আহক




22-23 অক্টোবৰ 2024 ত অসমৰ গুৱাহাটীত অনুষ্ঠিত তৃতীয় আঞ্চলিক সন্মিলনত মেঘালয়ে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী

## উদ্দেশ্য

- সংখ্যা চিনাক্তকৰণ বৃদ্ধি কৰা
- সৰল গাণিতিক ক্ৰিয়াৰ ধাৰণা শক্তিশালী কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেঞ্চিল
- স্কেল
- কাগজ কটা সঁজুলি / কেঁচী
- চেল'টেপ/ফেভিকল

## পৰ্যায়




চিত্ৰ 1

### পৰ্যায় 1

- চিত্ৰ 1 ত দেখুওৱাৰ দৰে কাৰ্ডব'ৰ্ডৰ টুকুৰা এখন লৈ তাৰ ওপৰত এখন চাৰ্ট পেপাৰ আঠা লগাওক।

### পৰ্যায় 2

- চাৰ্ট পেপাৰত সীমা টানক। তাৰ পাছত চিত্ৰ 2ত দেখুওৱাৰ দৰে ডাঙৰ পাহিৰে 3ৰ পৰা 4 পাহ ফুলৰ ছবি ডাঙৰকৈ আঁকক।




চিত্ৰ 2

### পৰ্যায় 3

- সমাধান কৰিবলৈ প্ৰতিটো পাহিত যোগফল লিখক। উদাহৰণস্বৰূপে— চিত্ৰ 3 ত দেখুওৱাৰ দৰে, 2 + 3, 10 + 3 ইত্যাদি।

### পৰ্যায় 4


- বিয়োগ, পূৰণ আৰু হৰণৰ বাবে একে আৰ্হি অনুসৰণ কৰক। উদাহৰণস্বৰূপে— 9 - 1 = ___ / 6 - 2 = ____





চিত্ৰ 3

## কেনেকৈ ব্যৱহাৰ কৰিব

1. এই ক্ৰিয়া-কলাপ আৰম্ভ কৰিবলৈ স্বেচ্ছাসেৱী শিক্ষকে প্ৰতিটো পাহিৰ দায়িত্ব এজনকৈ শিকাৰুক দিব আৰু শিকাৰুসকলক ফুলৰ পাহিবোৰ পৰ্যবেক্ষণ কৰিবলৈ ক'ব।
2. প্ৰতিজন শিকাৰুৱে পাহিত লিখা থোৱা সমস্যাটো সমাধান কৰিব আৰু পাহিটোৰ নিৰ্দিষ্ট স্থানত শুদ্ধ উত্তৰটো লিখিব।
3. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক তেওঁলোকৰ নিজৰ পছন্দৰ সংখ্যাৰে যোগ আৰু বিয়োগ কৰিবলৈ উৎসাহিত কৰিব যাতে ক্ৰিয়া-কলাপটো আৰু অধিক আগবঢ়াই নিব পৰা যায়।
4. স্বেচ্ছাসেৱী শিক্ষকে সংখ্যা যোগ কৰিবলৈ তেওঁলোকে ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিৰ বিষয়ে আলোচনা কৰিব পাৰে।
5. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক এই ক্ৰিয়া-কলাপটোৰ জটিলতাৰ মাত্ৰা বৃদ্ধি কৰি আগবঢ়াই নিবলৈ সিপিঠিৰ চিত্ৰ 4ত দেখুওৱাৰ দৰে যোগ, বিয়োগ, পূৰণ আৰু হৰণৰ সৈতে জড়িত সমস্যা সমাধান কৰিবলৈ দিব।
6. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক দিয়া সংখ্যা এটাত স্থানীয় মান চিনাক্ত কৰিবলৈ দিব।




চিত্ৰ 4

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 2- সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 17ঃ লুডু গুটিৰ সৈতে সংখ্যাৰ খেল



12-13 ছেপ্টেম্বৰ, 2024 ত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত হোৱা দ্বিতীয় আঞ্চলিক সন্মিলনত মহাৰাষ্ট্ৰই প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- লুডু গুটি ব্যৱহাৰ কৰি সংখ্যা চিনাক্ত কৰা
- গাণিতিক দক্ষতা বিকাশ কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ/ৰঙীন কাগজ
- মাৰ্কাৰ কলম/পেঞ্চিল
- স্কেল
- কাগজ কটা সঁজুলি/কেঁচী
- চেল'টেপ/ফেভিক'ল


# পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**


- কাৰ্ডব'ৰ্ড এখন লৈ বৰ্গাকৃতিত কাটি ল'ব।
- 1 নং চিত্ৰত দেখুওৱাৰ দৰে ছয়টা সমান আকৃতিত কাটিব।



চিত্ৰ 2

**পৰ্যায় 2**


- 2 নং চিত্ৰত দেখুওৱাৰ দৰে প্ৰতিটো বৰ্গক্ষেত্ৰৰ সমুখৰ ফালে ৰঙীন কাগজ আঠা লগাওক।



চিত্ৰ 3

**পৰ্যায় 3**


- 3 নং চিত্ৰত দেখুওৱাৰ দৰে লুডু গুটিৰ আকৃতিত বৰ্গক্ষেত্ৰৰ সকলো দিশ সংযুক্ত কৰক।



চিত্ৰ 4

**পৰ্যায় 4**

- চিত্ৰ 4 আৰু 5ত দেখুওৱাৰ দৰে লুডু গুটিৰ প্ৰতিটো ফালৰ পৰা সংখ্যা আৰু বিন্দুত সংখ্যা লিখক।



চিত্ৰ 5

## কেনেকৈ ব্যৱহাৰ কৰিব

1. এই ক্ৰিয়া-কলাপটো আৰম্ভ কৰিবলৈ স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুক লুডু গুটিটো দিব আৰু শিকাৰুক দুয়োটা ৰূপতে লিখা সংখ্যাবোৰ চিনাক্ত কৰিবলৈ দিব।
2. স্বেচ্ছাসেৱী শিক্ষকে সংখ্যা লিখি থোৱা লুডু গুটিটো শিকাৰুক দি সেই সংখ্যাৰ লগত মিলি থকা ফুটফুটীয়া লাইনেৰে লিখা অংকবোৰ মিলাবলৈ দিব।
3. এই ক্ৰিয়া-কলাপটো আগবঢ়াই নিবলৈ স্বেচ্ছাসেৱী শিক্ষকে লুডু গুটিটো দুবাৰ মাৰি দিয়াৰ পাছত পোৱা সংখ্যাবোৰ শিকাৰুক যোগ কৰিবলৈ দিব।
4. এই লুডু গুটিটো ব্যৱহাৰ কৰাৰ আন এক উপায় হ'ল যে শিকাৰুক 6 তকৈ ডাঙৰ সংখ্যা ল'বলৈ দিব আৰু লুডু গুটিটো মাৰিবলৈ দিব। লুডু গুটিটো মাৰি তেওঁলোকে যি সংখ্যা পাব সেই সংখ্যাটো ধৰি লোৱা সংখ্যাটোৰ পৰা যোগ বা বিয়োগ কৰিবলৈ দিব।
5. সংখ্যা চিনাক্ত কৰিব পৰাৰ পাছত, স্বেচ্ছাসেৱী শিক্ষকে কিছুমান প্ৰশ্ন কৰি জটিলতাৰ স্তৰ বৃদ্ধি কৰিব পাৰে। যেনে—
   - ইয়াৰ আগত কি সংখ্যা আহিব? উদাহৰণস্বৰূপে— '8'ৰ আগত কি সংখ্যা আছে?
   - ইয়াৰ পিছত কি আহিব? '8' ৰ পিছত কি সংখ্যা আহিব?
6. বৰ্ণমালা চিনাক্তকৰণ কৰাত সহায় কৰিবলৈ স্বেচ্ছাসেৱী শিক্ষকৰ দ্বাৰা আন এটা আৰ্হি কাৰ্যকলাপ কৰিব পাৰে।
7. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক তেওঁলোকৰ দৈনন্দিন জীৱনৰ লগত সম্পৰ্কিত অৰ্থপূৰ্ণ শব্দ গঠন কৰিবলৈ ক'ব।
8. অৰ্থপূৰ্ণ শব্দ গঠন কৰিবলৈ আঞ্চলিক ভাষাৰ শব্দ ব্যৱহাৰ কৰি লুডু গুটিটো বনাবলৈ দিয়ক।





চিত্ৰ 6

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 2- সাংখ্যিকতা)
- যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 3- সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 18 ঃ অংকৰ যাদু






22-23 অক্টোবৰ 2024 ত অসমৰ গুৱাহাটীত অনুষ্ঠিত হোৱা তৃতীয় আঞ্চলিক সন্মিলনত অসমে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- জুইশলাৰ কাঠী ব্যৱহাৰ কৰি যোগ আৰু বিয়োগৰ ধাৰণা বুজি পোৱা আৰু ব্যৱহাৰ কৰা
- স্থানীয় মানৰ ধাৰণা ব্যাখ্যা কৰিব পৰা

## প্ৰয়োজনীয় সামগ্ৰী

- জুইশলা কাঠী (অতি কমেও 20-30)
- খালী জুইশলাৰ বাকচ (5-10)
- মাৰ্কাৰ কলম/পেঞ্চিল
- সৰু ব'ৰ্ড/কাগজ

## পৰ্যায়



চিত্ৰ 1

### পৰ্যায় 1

- কাঠীৰে সৈতে কেইটামান জুইশলাৰ বাকচ সংগ্ৰহ কৰি লওক। 1 নং চিত্ৰত দেখুওৱাৰ দৰে জুইশলাৰ বাকচবোৰ খালী কৰি ল'ব।



চিত্ৰ 2

### পৰ্যায় 2


- জুইশলাৰ বাকচবোৰ ৰঙীন কাগজেৰে মেৰিয়াই লওক। মাৰ্কাৰ কলমেৰে প্ৰতিটো জুইশলাৰ বাকচত (1, 2, 3 ইত্যাদি) সংখ্যাবোৰ লিখক। 2 নং চিত্ৰত দেখুওৱাৰ দৰে এই সংখ্যাবোৰে বেলেগ বেলেগ পৰিমাণ বুজায়।



চিত্ৰ 3

### পৰ্যায় 3

- চিত্ৰত দেখুওৱাৰ দৰে নিৰ্দিষ্ট সংখ্যাৰ দিয়াচলাই কাঠী প্ৰতিটো জুইশলাৰ বাকচত ৰাখক। উদাহৰণস্বৰূপে, '3' লিখি থোৱা এটা জুইশলাৰ বাকচত তিনিডাল জুইশলা কাঠী ৰাখিব। (3 নং চিত্ৰ)



চিত্ৰ 4

### পৰ্যায় 4

- 4 নং চিত্ৰত দেখুওৱাৰ দৰে এখন সৰু বগা ফলক বা এখিলা কাগজৰ সহায়েৰে যোগ বা বিয়োগৰ প্ৰক্ৰিয়াটো কৰি দেখুৱাব।

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক জুইশলাৰ বাকচ দেখুৱাই ক্ৰিয়া-কলাপটো আৰম্ভ কৰিব।
2. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক দুটা জুইশলাৰ বাকচ ল'বলৈ দিব, উদাহৰণস্বৰূপে— এটা '2' লিখি থোৱা আৰু আনটো '3' লিখি থোৱা।
3. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুসকলক দুয়োটা বাকচেই খুলিবলৈ দিব আৰু জুইশলাৰ

কাঠীখিনি উলিয়াই সেইবোৰ আছুতীয়াকৈ হিচাপ কৰিবলৈ দিব।

4. শিকাৰুসকলক সকলো জুইশলাৰ কাঠী একেলগ কৰিবলৈ ক'ব আৰু হিচাপ কৰি




চিত্ৰ 5

পুনৰ মুঠ সংখ্যাটো উলিয়াবলৈ ক'ব।

5. 5 নং চিত্ৰত দেখুওৱাৰ দৰে স্বেচ্ছাসেৱী শিক্ষকে দুটা অংকৰ সমীকৰণ দি জটিলতাৰ পৰ্যায়টো বৃদ্ধি কৰিব পাৰে, উদাহৰণস্বৰূপে— 43+51= ?

6. ধাৰণাটোৰ বিষয়ে ভালকৈ বুজাবলৈ স্বেচ্ছাসেৱী শিক্ষকে একেটা ক্ৰিয়া-কলাপেই বিভিন্ন সংখ্যাৰে বিভিন্ন জুইশলাৰ বাকচ ব্যৱহাৰ কৰি পুনৰাবৃত্তি কৰিব পাৰে।


7. এই ক্ৰিয়া-কলাপটো অধিক প্ৰত্যাহ্বানমূলক আৰু আকৰ্ষণীয় কৰিবৰ বাবে স্বেচ্ছাসেৱী শিক্ষকে জুইশলাৰ বাকচবোৰ সমুখত ৰাখি প্ৰতিটো সংখ্যাৰে স্থানীয় মান সুধিব পাৰে। স্বেচ্ছাসেৱী শিক্ষকে এইখিনিতে মুঠাৰ দ্বাৰা স্থানীয় মান বুজাবলৈ চেষ্টা কৰিব পাৰে। তাৰবাবে তেওঁলোকে 10ডাল জুইশলাৰ কাঠীৰে এটা মুঠা বান্ধি দেখুৱাব পাৰে। এই মুঠাটোৱে এটা 'দহক' বুজাব আৰু খালী হৈ থকা জুইশলা কাঠীয়ে 'একক' বুজাব।

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 02- সাংখ্যিকতা)
- যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব। (শিকন ফলাফল 03- সাংখ্যিকতা)
- 1-ৰ পৰা 999 লৈ সংখ্যাত একক, দহক আৰু শতকৰ ধাৰণা বুজিবলৈ আৰু গানিতিক কাৰ্যসমূহ ব্যৱহাৰ কৰিবলৈ শিকিব। ( শিকন ফলাফল 4 - সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 19 ঃ সংখ্যাৰ ধেমালি




17-18 ফেব্ৰুৱাৰী 2025 ত তেলেংগানাৰ হায়দৰাবাদত অনুষ্ঠিত চতুৰ্থ আঞ্চলিক সন্মিলনত পুডুচেৰীয়ে প্ৰস্তুত কৰা শিকন-শিক্ষন সামগ্ৰী

## উদ্দেশ্য

- স্থানীয় মানৰ ধাৰণা বুজি পোৱা

## প্ৰয়োজনীয় সামগ্ৰী

- ফাইল ব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ৰঙীন)
- মাৰ্কাৰ কলম/পেঞ্চিল/ৰঙীন কলম
- কাগজ কটা সঁজুলি/কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- স্কেল

## পৰ্যায়

**পৰ্যায় 1**


- চিত্ৰ 1 ত দেখুওৱা আকৃতিবোৰৰ দৰে চাৰ্ট পেপাৰ কাটি লওক।



চিত্ৰ 1

**পৰ্যায় 2**


- চিত্ৰত দিয়া ধৰণে কাৰ্ড এখনত সংখ্যাৰ বাকচ আৰু এটা ধৰি ৰখা ঠাই থকা প্ৰয়োজন
- চিত্ৰত দেখুওৱাৰ দৰে সংখ্যাৰ বাকচত যিকোনো সংখ্যা লিখক যেনে — 1,2,3।




চিত্ৰ 2

## কেনেকৈ ব্যৱহাৰ কৰিব

1. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুৰ সৈতে স্থানীয় মানৰ ধাৰণাৰ বিষয়ে আলোচনা কৰি ক্ৰিয়া-কলাপটোৰ সৈতে পৰিচয় কৰাই দিব।
2. স্বেচ্ছাসেৱী শিক্ষকে স্থানীয় মানে কেনেকৈ কাম কৰে তাক দেখুৱাবলৈ নম্বৰ কাৰ্ড ব্যৱহাৰ কৰিব, উদাহৰণস্বৰূপে —স্বেচ্ছাসেৱী শিক্ষকে 358 সংখ্যাটো দেখুৱাই ধাৰণাটোৰ বিষয়ে আলোচনা কৰিব পাৰে আৰু চিত্ৰ 3ত দেখুওৱাৰ দৰে 358ত 5 সংখ্যাৰ স্থানীয় মান কি সুধিব।
3. স্বেচ্ছাসেৱী শিক্ষকে নম্বৰ কাৰ্ডৰ স্থান সলনি কৰি বিভিন্ন 2টা অংকৰ, 3 অংকৰ সংখ্যা গঠন কৰিব।
4. তেওঁ শিকাৰুসকলক সংখ্যাৰ স্থানীয় মান চিনাক্ত কৰিবলৈ ক'ব, যেনে -79, 65, 231, 456 ইত্যাদি।
5. বাস্তৱ জীৱনত স্থানীয় মানৰ ধাৰণা কেনেকৈ ব্যৱহাৰ কৰা হয় সেই বিষয়ে স্বেচ্ছাসেৱী শিক্ষকে আলোচনা কৰিব।
   - টকা (₹25 আৰু ₹50ৰ মাজৰ পাৰ্থক্য জনা)
   - ফোন নম্বৰ (অংকৰ অৱস্থান বুজি পোৱা)
   - জোখ-মাখ (পঢ়াৰ দূৰত্ব, ওজন আদি)





চিত্ৰ 3

## শিকাৰুসকলে কি শিকিলে

- তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (শিকন ফলাফল 1 - সাংখ্যিকতা)
- 1ৰ পৰা 999 লৈ সংখ্যাত একক, দহক আৰু শতকৰ ধাৰণা বুজিবলৈ আৰু গাণিতিক কাৰ্যসমূহ ব্যৱহাৰ কৰিবলৈ শিকিব। ( শিকন ফলাফল 4 - সাংখ্যিকতা)

# ক্ৰিয়া-কলাপ 20ঃ সময়ৰ ধাৰণা




17-18 ফেব্ৰুৱাৰী, 2025ত তেলেংগানাৰ হায়দৰাবাদত অনুষ্ঠিত চতুৰ্থ আঞ্চলিক সন্মিলনত তামিলনাডুৰে প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী


## উদ্দেশ্য

- এনালগ আৰু ডিজিটেল ঘড়ীত সময় চাবলৈ সক্ষম হোৱা
- 24 ঘন্টীয়া ঘড়ীৰ সময়ক 12 ঘন্টীয়া ঘড়ীৰ সময়লৈ ৰূপান্তৰিত কৰা
- 12 ঘন্টীয়া ঘড়ীৰ সময়ক 24 ঘন্টীয়া ঘড়ীৰ সময়লৈ ৰূপান্তৰিত কৰা

## প্ৰয়োজনীয় সামগ্ৰী

- ডাঠ কাগজ / কাৰ্ডব'ৰ্ড
- চাৰ্ট পেপাৰ (বগা/ ৰঙীন)
- মাৰ্কাৰ কলম/ পেঞ্চিল/ ৰঙীন কলম
- ৱাটাৰ কালাৰ
- স্কেল
- কাগজ কটা সঁজুলি/ কেঁচী
- স্বচ্ছ প্লাষ্টিকৰ পাত
- চেল'টেপ/ ফেভিকল/ ফেভিষ্টিক
- আইচক্ৰীম ষ্টিক
- ডাষ্টাৰ/ কপাহৰ বল
- খাৰু/ থাল/ প্লেট (বৃত্ত আঁকিবলৈ)


# পৰ্যায়



চিত্ৰ 1

**পৰ্যায় 1**


- চাৰ্ট পেপাৰ আৰু কাৰ্ডব'ৰ্ডৰ টুকুৰা এটা লৈ চিত্ৰ 1ত দেখুওৱাৰ দৰে ব'ৰ্ড হিচাপে ব্যৱহাৰ কৰিবলৈ আয়তক্ষেত্ৰৰ আকৃতিত সমান আকাৰত কাটি লওক।



চিত্ৰ 2

**পৰ্যায় 2**


- চিত্ৰ 2ত দেখুওৱাৰ দৰে কাৰ্ডব'ৰ্ডত চাৰ্ট পেপাৰ আঠা লগাওক।



চিত্ৰ 3

**পৰ্যায় 3**

- চাৰ্ট পেপাৰত এটা বৃত্ত আঁকক আৰু চিত্ৰ 3ত দেখুওৱাৰ দৰে কাটি লওক।





চিত্ৰ 4

**পৰ্যায় 4**

- চিত্ৰ 4ত দেখুওৱাৰ দৰে এটা এনালগ ঘড়ী (1ৰ পৰা 12) প্ৰস্তুত কৰিবলৈ একে ক্ৰমত সংখ্যাবোৰ লিখক।

# পৰ্যায়



চিত্ৰ 5

### পৰ্যায় 5


- আইচক্ৰীমৰ লাঠীবোৰ নিম্নগামী ক্ৰমত কাটি ঘন্টা, মিনিট আৰু ছেকেণ্ডৰ কাঁটা বৃত্তৰ মাজত ৰাখক। এনেদৰে সামঞ্জস্য ৰাখক যাতে চিত্ৰ 5ত দেখুওৱাৰ দৰে সহজে গতি কৰিব পাৰে।



চিত্ৰ 6

### পৰ্যায় 6


- কাৰ্ডবৰ্ডখন আয়তাকাৰ আকাৰত (2 ইঞ্চি×6 ইঞ্চি) চিত্ৰ 6 ত দেখুওৱাৰ দৰে কাটিব।



চিত্ৰ 7

### পৰ্যায় 7

- চাৰ্ট পেপাৰৰ পৰা বৰ্গক্ষেত্ৰৰ আকাৰত (2 ইঞ্চি×2 ইঞ্চি) কাটি 7 নং চিত্ৰত দেখুওৱাৰ দৰে আয়তাকাৰ বৰ্ডত সংলগ্ন কৰক।



চিত্ৰ 8

### পৰ্যায় 8

- মাজৰ অংশত AM আৰু PM সূচক আয়তাকাৰ আকৃতিৰ পকেটটো চিত্ৰ 8 ত দেখুওৱাৰ দৰে শ্লাইডিং আকাৰত ৰাখিব।

### পৰ্যায় 9

- কাৰ্ডবৰ্ডত এনালগ ঘড়ী আৰু ডিজিটেল ঘড়ী সংলগ্ন কৰক আৰু প্ৰস্তুত কৰা বৰ্ডখন চিত্ৰ 9ত দেখুওৱাৰ দৰে এখন স্বচ্ছপ্লাষ্টিকৰ পাতেৰে ঢাকি ৰাখক।





চিত্ৰ 9


## কেনেকৈ ব্যৱহাৰ কৰিব


1. স্বেচ্ছাসেৱী শিক্ষকে সময়ৰ সৈতে জড়িত প্ৰশ্ন সুধি ক্ৰিয়া-কলাপৰ সৈতে পৰিচয় কৰাব। উদাহৰণস্বৰূপে, আপুনি কিমান সময়ত সাৰ পায়? কিমান সময়ত কামলৈ যায়? কৰ্মস্থলীত কিমান সময়ত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে?
2. শিকাৰুৱে উত্তৰ দিয়াৰ সময়ত এনালগ ঘড়ীৰ উদাহৰণ স্বেচ্ছাসেৱী শিক্ষকে বাৰে বাৰে দেখুৱাব— 5:00, 7:30 আৰু 1:15 চিত্ৰ 9,10, আৰু 11 ত দেখুওৱাৰ দৰে।
3. স্বেচ্ছাসেৱী শিক্ষকে ঘন্টা, মিনিট আৰু ছেকেণ্ডৰ ধাৰণা আৰু বিভিন্ন ঘড়ীৰ কাঁটাৰ কাৰ্যৰ বিষয়ে ব্যাখ্যা কৰিব।
4. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুক ক্ৰমে চিত্ৰ 12 আৰু 13ত দেখুওৱাৰ দৰে নিম্নোক্ত নিৰ্দেশনা অনুসৰি এনালগ ঘড়ীত সময় নিৰ্ধাৰণ কৰিবলৈ ক'ব।
5. স্বেচ্ছাসেৱী শিক্ষকে ডিজিটেল ঘড়ীৰ ধাৰণাটো ব্যাখ্যা কৰিব আৰু ঘড়ীটোত কেনেকৈ ডিজিটেল সংখ্যা — 1, 2, 3 ইত্যাদি লিখা হৈছে সেয়া দেখুৱাব।
6. স্বেচ্ছাসেৱী শিক্ষকে শিকাৰুক 14 আৰু 15 নং চিত্ৰত এনালগ ঘড়ীত দেখুওৱাৰ দৰে ডিজিটেল ঘড়ী ফৰ্মেটত সময় লিখিবলৈ ক'ব।
7. স্বেচ্ছাসেৱী শিক্ষকে এনালগ ঘড়ীত সময় নিৰ্ধাৰণ কৰিব আৰু শিকাৰুক সময়টো ডিজিটেল আৰু এনালগ দুয়োভাগে লিখিবলৈ ক'ব।


6\. ক্ৰিয়া-কলাপটো অধিক আকৰ্ষণীয় আৰু সহযোগিতাৰে কৰিবলৈ স্বেচ্ছাসেৱী শিক্ষকে এটা দলৰ শিকাৰুক এনালগ ঘড়ীত সময় নিৰ্ধাৰণ কৰিবলৈ ক'ব আৰু আনটো দলক নিৰ্ধাৰিত সময় ডিজিটেল ঘড়ী ফৰ্মেটত লিখিবলৈ ক'ব।


চিত্ৰ 10


চিত্ৰ 11


চিত্ৰ 12


চিত্ৰ 13


চিত্ৰ 14



চিত্ৰ 15



চিত্ৰ 16

## শিকাৰুসকলে কি শিকিলে

- এনালগ আৰু ডিজিটেল ঘড়ীৰ সময় চাবলৈ জানিব পাৰিব। ঘন্টা, মিনিট আৰু ছেকেণ্ডৰ হিচাপত সময় জানিব পাৰিব। (শিকন ফলাফল 12- সাংখ্যিকতা)
- ঘন্টা, মিনিট আৰু ছেকেণ্ডৰ মাজৰ সম্পৰ্ক আলোচনা কৰিব। (শিকন ফলাফল 13- সাংখ্যিকতা)
- 24 ঘন্টীয়া ঘড়ীৰ সময়ক 12 ঘন্টীয়া ঘড়ীৰ সময়লৈ সলনি কৰিব পাৰিব। (শিকন ফলাফল 14- সাংখ্যিকতা)

পৰিশিষ্ট 1

# শিকন ফলাফল

## বুনিয়াদী সাক্ষৰতা (ভাষা)

### শিকাৰুসকলেঃ

1. শিকাৰুসকলে আখৰবোৰ পৃথকে পৃথকে চিনিব পাৰিব আৰু শব্দ চিনাক্ত কৰিব পাৰিব।
2. আখৰৰ ধ্বনিক আখৰৰ আকৃতিৰ লগত সংযোগ স্থাপন কৰিব পাৰিব।
3. স্বৰবৰ্ণ আৰু স্বৰচিহ্ন চিনিব পাৰিব।
4. আখৰৰ পৰা সম্পূৰ্ণ পাঠলৈকে আৰু সম্পূৰ্ণ পাঠৰ পৰা আখৰলৈকে একে সময়তে এই দুটা স্তৰত পঠন আৰু লিখনৰ সৈতে জড়িত কৰিব পাৰিব।
5. দৈনন্দিন প্ৰাসংগিক বিষয়লৈ পঢ়া আৰু লিখাৰ দিশবোৰত শিকাৰুৱে মনোনিৱেশ কৰিব পাৰিব।
6. এটা শব্দ ভাঙি পঢ়িবলৈ, সম্পূৰ্ণ শব্দ চিনাক্ত কৰিবলৈ, ছবি বা প্ৰাসংগিক বিষয় অনুযায়ী অনুমান কৰিবলৈ একাধিক উপায় ব্যৱহাৰ কৰিব পাৰিব।
7. নিৰ্দিষ্ট আখৰ বা ধ্বনিৰে আৰম্ভ হোৱা, এটা নিদিষ্ট আখৰ বা ধ্বনিৰে শেষ হোৱা শব্দবোৰো চিনাক্ত কৰি তালিকা প্ৰস্তুত কৰিব পাৰিব।
8. স্পষ্টকৈ বিভিন্ন আখৰ, শব্দ, চুটি শব্দৰ পাঠ লিখিব পাৰিব।
9. যিকোনো এটা ভাষা অথবা পাঠত সঘনাই ব্যৱহৃত শব্দ চিনিব পাৰিব।
10. শিকাৰুৰ নিজা পৰিৱেশ পৰিস্থিতি সাপেক্ষে পোৱা যিকোনো লিখিত পাঠ পঢ়িব পাৰিব আৰু তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা আৰু পৰিস্থিতিৰ সৈতে জড়িত কৰিব পাৰিব।
11. তেওঁলোকৰ নিজৰ ভাষাৰে যিকোনো সাধাৰণ বস্তুৰ নাম, ছবিৰ নাম খোদিত কৰিব পাৰিব।
12. যিকোনো পাঠ প্ৰথমে সহায়লৈ, পাছত ক্ৰমান্বয়ে নিজে পঢ়িব পৰিব।
13. যিকোনো এটা পাঠৰ আধাৰিত প্ৰশ্নৰ উত্তৰ মৌখিক আৰু লিখিতভাৱে দিব পাৰিব (শুদ্ধকৈ উত্তৰ দিব, মতামত দিব, যুক্তযুক্তি চিন্তা প্ৰকাশ কৰিব)।
14. কোনো পাঠ বা বিষয়ৰ অন্যান্য আনুষংগিক চিন্তন তথা অন্বেষণ কৰিবলৈ আলোচনাত মিলিত হ'ব পাৰিব।

পৰিশিষ্ট 2

# শিকন ফলাফল

## বুনিয়াদী সাংখ্যিকতা (গণিত)

## শিকাৰুসকলেঃ

1. তেওঁলোকৰ দৈনন্দিন জীৱনত সহায় হোৱাকৈ শিকাৰুৱে 1-10,000 লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব।
2. তেওঁলোকৰ দৈনন্দিন জীৱনত গাণিতিক চিহ্ন, যেনে— সমান(=), যোগ (+), বিয়োগ(−), পূৰণ(×) আৰু হৰণ(÷)ৰ চিহ্নসমূহ চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব।
3. যোগ, বিয়োগ, হৰণ আৰু পূৰণৰ গাণিতিক কাৰ্যসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পাৰিব।
4. 1ৰ পৰা 999 লৈ সংখ্যাত একক, দহক আৰু শতকৰ ধাৰণা বুজিবলৈ আৰু গাণিতিক কাৰ্যসমূহ ব্যৱহাৰ কৰিবলৈ শিকিব।
5. টকা পইচাৰ ক্ষেত্ৰত মুদ্ৰা আৰু নোট, যেনে— 1,2,3,10,20,50,100,200 আৰু 500 আদিবোৰ চিনিব পাৰিব।
6. বস্তুৰ পৰিমাণ আৰু মূল্য আদিৰ সাপেক্ষে টকা পইচাৰ দিশবোৰ শিকিব।
7. দৈনন্দিন জীৱনৰ প্ৰসংগ অনুসৰি বিভিন্ন বস্তু, ঠাই আদিৰ বেলেগ বেলেগ অংশ ভাগ কৰিবলৈ শিকিব। দুভাগৰ এক, চাৰিভাগৰ এক, চাৰিভাগৰ তিনি আদি ভগ্নাংশৰ ধাৰণাবোৰ আয়ত্ত কৰিব।
8. ভগ্নাংশ যেনে— আধা, চাৰিভাগৰ এক, চাৰিভাগৰ তিনি আদিবোৰ লিখিবলৈ শিকিব।
9. দ্বিমাত্ৰিক আকৃতি, যেনে— ত্ৰিভূজ, বৰ্গ, বৃত্ত আৰু ত্ৰিমাত্ৰিক আকৃতি, যেনে— গোলক, চুঙাকৃতি, শংকু, ঘনক, আয়তীয় ঘনক আদিৰ বিষয়ে আলোচনা কৰিব, লগতে এই আকৃতিবোৰৰ বৈশিষ্ট্য আৰু দৈনন্দিন জীৱনত ইয়াৰ প্ৰাসংগিকতাৰ বিষয়ে আলচ কৰিব পাৰিব।
10. বিভিন্ন প্ৰকাৰৰ আকৃতি আৰু সংখ্যা সমূহৰ নমুনাবোৰ চিনাক্ত কৰা, সৃষ্টি কৰা আৰু ব্যাখ্যা কৰিবলৈ শিকিব।
11. দীঘ, ওজন, আয়তন আদি নিৰ্দ্ধাৰিত একক আৰু অনিৰ্দ্ধাৰিত এককত জুখিবলৈ শিকিব আৰু এই এককবোৰৰ মাজৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব।
12. এনালগ আৰু ডিজিটেল ঘড়ী চাই ঘন্টা, মিনিট, ছেকেণ্ড আদিবোৰ চাবলৈ শিকিব। পুৱা, আবেলি, সন্ধ্যা আৰু গধূলি সময় ঘড়ীত চাবলৈ শিকিব।
13. ঘন্টা,মিনিট, ছেকেণ্ডৰ মাজৰ সম্পৰ্ক আলোচনা কৰিব পাৰিব।
14. 24 ঘন্টীয়া ঘড়ীৰ সময়ক 12 ঘন্টীয়া ঘড়ীৰ সময়লৈ সলনি কৰিব পাৰিব।
15. সপ্তাহ, মাহ বছৰ আদি কেলেণ্ডাৰ চাই ক'ব পৰা হ'ব। বিশেষ উপলক্ষ্য থকা তাৰিখবোৰো চিনাক্ত কৰিব পাৰিব। দৈনন্দিন জীৱনৰ প্ৰসংগত এই কেলেণ্ডাৰ ব্যৱহাৰ শিকিব।

জন জন সাক্ষৰ

# উল্লাস ULLAS

নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী

# আঞ্চলিক সন্মিলনৰ অৱলোকন

01-02 আগষ্ট 2024

গুৰুগ্ৰাম, হাৰিয়ানা
















অংশগ্ৰহণকাৰী ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে প্ৰস্তুত কৰা আৰু প্ৰদৰ্শন কৰা শিক্ষণ শিকন সামগ্ৰী

উল্লাস
ULLAS
নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
জন জন সাক্ষৰ

# ভূপাল, মধ্যপ্ৰদেশ

## 12-13 ছেপ্টেম্বৰ 2024














অংশগ্ৰহণকাৰী ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে প্ৰস্তুত কৰা আৰু প্ৰদৰ্শন কৰা শিক্ষণ শিকন সামগ্ৰী

জন জন সাক্ষৰ

# উল্লাস ULLAS

নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী

## গুৱাহাটী, অসম

## 22-23 অক্টোবৰ 2024














অংশগ্ৰহণকাৰী ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে প্ৰস্তুত কৰা আৰু প্ৰদৰ্শন কৰা শিক্ষণ শিকন সামগ্ৰী

জন জন সাক্ষৰ

# উল্লাস
# ULLAS

নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী

# হায়দৰাবাদ, তেলেংগানা

## 17-18 ফেব্ৰুৱাৰী 2025














অংশগ্ৰহণকাৰী ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে প্ৰস্তুত কৰা আৰু প্ৰদৰ্শন কৰা শিক্ষণ শিকন সামগ্ৰী

উল্লাস
ULLAS
নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
জন জন সাক্ষৰ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম